# প্ৰথম অধ্যায়

## ১.০ স্বদেশপ্ৰেমৰ স্বৰূপ, সংজ্ঞা, কাৰক, অসমীয়া সাহিত্যত স্বদেশপ্ৰেম আৰু বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য-কৃতি

### ১.১ স্বদেশপ্ৰেমৰ সংজ্ঞা আৰু স্বৰূপ

ইংৰাজী 'Patriotism' শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে ‘স্বদেশপ্ৰেম’ শব্দটোৰ ব্যৱহাৰ কৰা হয়। স্বদেশপ্ৰেম হৈছে স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা গভীৰ প্ৰেম-ভালপোৱা আৰু আন্তৰিক অনুৰাগ। 'Patriotism' শব্দটি গ্ৰীক ‘প্ৰেট্ৰিজ’ শব্দৰ পৰা উদ্ভুত, যাৰ অৰ্থ ‘পিতৃভূমি’। ‘পিতৃভূমি’ অৰ্থাৎ স্বদেশ য'ত এজন ব্যক্তি জন্ম হৈ সেই ভূমিৰ মাটি, পানী, বায়ু, অন্ন সেৱন কৰি ডাঙৰ হয়। সেই পিতৃভূমিৰ ভাষা, সাহিত্য, সংস্কৃতি, ঐতিহ্য আদিৰ প্ৰতি আৰু স্বদেশৰ মানুহ আৰু প্ৰকৃতিৰ প্ৰতি সৃষ্টি হোৱা গভীৰ অনুৰাগেই হৈছে স্বদেশপ্ৰেম। অৰ্থাৎ বিশেষ কোনো ভৌগোলিক অৱস্থাৰ ওপৰত থকা মমতাবোধকে দেশপ্ৰেম বোলা হয়। এই অৰ্থত দেশ বুলিলে মাথোন এডোখৰ ভূমিকে অথবা কোনো এক নিৰ্দিষ্ট ভৌগোলিক আৱেষ্টনীকেই নুবুজায়। সেই ভূ-খণ্ডৰ অন্তৰ্গত ভাষা-সাহিত্য, কলা-কৃষ্টি, ঐতিহ্য-পৰম্পৰা, মানুহ, মানুহৰ উত্থান-পতনৰ ইতিহাস সকলোকে সামৰি এক ব্যাপক অথচ সংহত ৰূপটোকে বুজা যায়। নিৰ্দিষ্ট এই ভৌগোলিক সংস্থানৰ প্ৰতি ইয়াৰ বাসিন্দাসকলৰ থাকে নিবিড় আস্থা আৰু শ্ৰদ্ধা। এই শ্ৰদ্ধা আৰু আনুগত্যই বিপদ-আপদত সেই সংহতিৰ মহতী ৰূপটোক বিনষ্ট হ'ব পৰা প্ৰতিকূলতাৰ বিৰুদ্ধে এক কৰি ৰাখে। প্ৰাণৰ বিনিময়তো স্বদেশৰ অখণ্ডতা আৰু পবিত্ৰতা ৰক্ষাৰ বাবে দেশবাসী সাজু হৈ থাকে। দেশৰ প্ৰতি আত্মাহুতিৰ এই যি প্ৰেৰণা ইয়েই স্বদেশপ্ৰেম। আত্মত্যাগৰ এই মহান শক্তিয়ে সমগ্ৰ জাতিটোক ৰক্ষা কৰে; শুভ যুক্তি-জ্ঞান আৰু শ্ৰীবৃদ্ধিৰে গোটেই দেশখনকে নদন-বদন কৰি গঢ়ি তোলে। অন্তঃবিপ্লৱ অথবা বৰ্হিবিপ্লৱৰ ভয়ংকৰ বিপদৰ পৰাও দেশ আৰু জাতিক ৰক্ষা

কৰে এই স্বদেশানুৰাগে।[১]

স্বদেশৰ সৰ্বতো প্ৰকাৰৰ মঙ্গল কামনাৰে উদ্গনিমূলক কথা আৰু কামেৰে প্ৰেৰণা যোগোৱা জনেই 'স্বদেশপ্ৰেমিক' আৰু যিবোৰ কথা আৰু কামে তাৰ স্বাক্ষৰ বহন কৰে সেইবোৰ কামেই স্বদেশপ্ৰেমমূলক কাম। Oxforod advanced learner's Dictionary of Current English ৰ মতে 'Patiriotism' ৰ অৰ্থ হৈছে - 'Love of one's country and readiness to defend it.'[২]

অন্যহাতে 'Patriot' শব্দৰ অৰ্থ কৰিছে — 'Person who loves his country, esp one who is ready to defend it against an enemy : a true Patriot.'[৩]

'হেমকোষ' অভিধানৰ মতে — 'স্বদেশ' মানে হৈছে নিজ-দেশ, জন্মভূমি।'[৪] গতিকে স্বদেশপ্ৰেম শব্দটি আলোচনা কৰিলে দেখা যায় যে—

(১) ই নিজৰ দেশক অৰ্থাৎ জন্মভূমিৰ প্ৰতি থকা ভালপোৱাক বুজায়।

(২) স্বদেশপ্ৰেমৰ স্বৰূপ নিজ দেশৰ জনগোষ্ঠীৰ প্ৰতি প্ৰেম, সামাজিক, সাংস্কৃতিক প্ৰেম আৰু ৰাজনৈতিক চিন্তা-চেতনাৰ যোগেদি মাতৃভূমিৰ বিবিধ দিশক সুৰক্ষাৰ প্ৰচেষ্টা।

(৩) জাতীয়তাবাদী চিন্তা-চৰ্চাই স্বদেশপ্ৰেমৰ ভাৱ জাগ্ৰত কৰে। অৱশ্যে উগ্ৰ জাতীয়তাবাদী চিন্তাচৰ্চাই স্বদেশপ্ৰেমৰ সুফল দান নকৰিবও পাৰে।

(৪) স্বদেশপ্ৰেম বাস্তৱ অৱস্থাই গঢ় দিয়ে। পৰাধীন বা পৰাভূত জাতিৰ জীৱনত এই কথা অধিকভাৱে সত্য। সেই জাতিৰ জাতীয় সাহিত্যত তাৰ ধ্বনি শুনিবলৈ পোৱা যায়।

(৫) নিজ দেশৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক জীৱনৰ মুক্তি অথবা ৰক্ষাৰ বাবে নৱচেতনা জাগ্ৰত কৰি জাতিৰ প্ৰতি যি ভিন্নধৰ্মী ভালপোৱা প্ৰকাশ কৰে সেই ভালপোৱা বা অনুৰাগেই স্বদেশপ্ৰেম — যি প্ৰেমে স্বদেশৰ প্ৰতি ভক্তি আৰু শ্ৰদ্ধা প্ৰকট কৰি তোলে।

সেয়ে জৰ্জ বাৰ্ণাড শ্ব'য়ে কৈছে - 'Patriotism is your conviction that this country is

---

১। নীলমোহন ৰায়, *প্ৰেম ভাবনা আৰু অসমীয়া ৰোমাণ্টিক কবিতা*, পৃ. ১২৭-১২৮

২। A P Cowie (etd), *Oxford Advanced learner's Dictionary of Current English*, P. 907

৩। উল্লিখিত, পৃ. ৯০৭

৪। আনন্দৰাম বৰুৱা, (সম্পা.), *হেমকোষ*, পৃ. ৯৮৮

Superior to all other Countries because you were born in it.'[৫]

Bartrand Russell এ কৈছে - 'Patriotism is the willingness to kill and be killed for trivial reasons.[৬]

'দেশপ্ৰেম এক বলিষ্ঠ মানসিকতা, যি দেশ আৰু মানুহৰ বাবে নিষ্ঠা আৰু আন্তৰিকতাৰ জন্ম দিয়ে।' [৭]

'দেশপ্ৰেম বুলিলে ঘাইকৈ ব্যক্তি এজনৰ নিজৰ দেশৰ প্ৰতি নৈসৰ্গিক প্ৰকৃতিৰ প্ৰতি তথা ভাষা-সাহিত্য, সভ্যতা-সংস্কৃতি আদিৰ প্ৰতি থকা স্বাভাৱিক অনুৰাগকে বুজিব পাৰি।'[৮]

স্বদেশপ্ৰেমৰ স্বৰূপ জন্মভূমিৰ প্ৰতি থকা প্ৰেম, শ্ৰদ্ধাৰ লগতে নিজ জন্মভূমিৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি স্বজাতিৰ মঙ্গল সাধন কৰা কাৰ্যত আৰু জাতীয় জীৱনৰ দুঃসময়ত কৰা মানুহৰ কৰ্মৰ মাধ্যমেৰে প্ৰকাশ পায়। স্বদেশপ্ৰেম মানুহৰ জীৱনৰ এক মহৎ চেতনাসম্ভূত বিষয়। ই এক সহজাত প্ৰবৃত্তি। সেয়ে স্বদেশপ্ৰেমিকসকলে স্বদেশ ৰক্ষাৰ বাবে নিজ প্ৰাণকো তুচ্চ জ্ঞান কৰি দেশৰ বুৰঞ্জীত অমৰ হৈ থাকে। তেনে স্বদেশপ্ৰেমিক সকলোৰে বাবে পূজনীয়। তেনে ত্যাগে তেওঁলোকক বিশ্ববৰেণ্য কৰি তোলে। স্বদেশপ্ৰেমক সেয়ে সৰ্বশ্ৰেষ্ঠ ধৰ্ম বুলিব পাৰি।

> অন্যান্য প্ৰবৃত্তিৰ দৰে মানুহৰ অন্তৰত এই ভাৱৰ মূল্যও জীৱনৰ আৰম্ভণিৰ পৰা থিত লয়। কিন্তু মানুহৰ বাহ্যিক প্ৰবৃত্তিৰ লগত ইয়াৰ এনে ওচৰ সম্বন্ধ যে, ই কাৰ্যথলীত স্বভাৱতে এটিৰ দ্বাৰা আনটি চালিত হোৱা দেখা যায়। এই ভাৱ মানুহৰ স্বাভাৱিক প্ৰবৃত্তিৰ হ'লেও বাহ্যিক প্ৰবৃত্তিৰ দ্বাৰাই পৰিচালিত হৈ ই লৌকিক কাৰ্যত প্ৰতিফলিত হোৱাৰ পিছতেই ইয়াৰ সম্পূৰ্ণ স্থিতি অনুভৱ কৰিব পৰা যায়। [৯]

সেয়ে দেখা যায় ব্যক্তিৰ চিন্তা-চেতনা, কৰ্মৰ জৰিয়তে স্বদেশপ্ৰেম প্ৰকাশ পায়। এই স্বদেশপ্ৰেম

---

৫। https/www.the Topten.com, *Top ten Greatest Quotes about Patriotism.*

৬। উল্লিখিত

৭। জ্যোতিমালা গোহাঁই ফুকন, *অসমীয়া ৰমন্যাসিক সাহিত্য,* পৃ . ১০১

৮। ভগীৰথ চন্দ্ৰ নাথ, *অসমীয়া ঐতিহাসিক নাটকত দেশাত্মবোধ,* পৃ . ৬

৯। জীৱেশ্বৰ শৰ্মা, 'স্বদেশপ্ৰেম', *প্ৰদীপ (১৯১৯),* সম্পা., দণ্ডিনাথ কলিতা,পৃ . ১

একো একোটা জাতিৰ জাতীয় জীৱনৰ সঞ্জীৱনীস্বৰূপ। স্বদেশপ্ৰেমে এখন দেশক স্বয়ং সম্পূৰ্ণ আৰু সুখী কৰি গঢ় দিব পাৰে। দেশ আৰু জাতিক সৰ্বতোপ্ৰকাৰে সুৰক্ষিত আৰু আগবাঢ়ি যোৱা কাৰ্যত স্বদেশপ্ৰেম সেয়ে এক শক্তি হৈ ধৰা দিয়ে।

## ১.২ ভাৰতীয় সাহিত্যত স্বদেশপ্ৰেমৰ কাৰকসমূহ ঃ

স্বদেশপ্ৰেম সৃষ্টিৰ অন্তৰালত বহুবোৰ কাৰকে ক্ৰিয়া কৰে। নিজ দেশৰ প্ৰতি প্ৰেম-ভালপোৱা, শ্ৰদ্ধা, ত্যাগ ইত্যাদি গুণৰাশি বিকাশ হোৱাত পূৰ্বৰ পৰা প্ৰচলিত ধ্যান-ধাৰণা আৰু সমসাময়িক সমস্যা, তাগিদা আৰু সমসাময়িক সমাজ জীৱনে অন্যতম কাৰকৰূপে ধৰা দিয়ে। জাতীয় চেতনাৰ প্ৰতিফলনত ভাৰতীয় সাহিত্যৰ অখণ্ডতা নিহিত হৈ আছে। [১০] ভাৰতবৰ্ষৰ লগতে অসমতো স্বদেশপ্ৰেমৰ প্ৰকাশ আৰু বিকাশ হোৱাৰ মূলতে চিহ্নিত কৰিব পৰা কাৰকসমূহ হৈছে ক্ৰমে —

### ১.২.১ ৰামায়ণ, মহাভাৰত আৰু বেদান্ত দৰ্শন ঃ

সমগ্ৰ ভাৰতবাসীৰ প্ৰাণত মাতৃভূমিৰ প্ৰতি গভীৰ অনুৰাগ বৃদ্ধি কৰি স্বদেশপ্ৰেম বিয়পাই দিয়াৰ ক্ষেত্ৰত ৰামায়ণ, মহাভাৰত মহাকাব্যৰ উপৰিও গীতা, উপনিষদ, পুৰাণ-উপপুৰাণ আদিৰ বাণী আৰু দৰ্শনৰ প্ৰভাৱ অতি প্ৰাচীন। 'জননী জন্মভূমিশ্চ স্বগাদপী গৰীয়সী' (ৰামায়ণ, লঙ্কা কাণ্ড) অৰ্থাৎ জননী জন্মভূমি স্বৰ্গতকৈয়ো শ্ৰেষ্ঠ। ৰামায়ণৰ এই মহৎ বাণীৰ আৱেদন প্ৰতি ভাৰতীয়ৰ প্ৰাণে প্ৰাণে। প্ৰাচীন শাস্ত্ৰত ভাৰত ভূমিক প্ৰশস্তি কৰিছে — পূণ্যভূমি আৰু কৰ্মভূমিৰূপে। গীতা শাস্ত্ৰৰ 'কৰ্মযোগ', 'মৰিলে স্বৰ্গ তৰিলে দেশ' বোলা বাণী স্বদেশপ্ৰেমৰ অমল উৎস। তাৰ উপৰিও বিভিন্ন পুৰাণ-উপপুৰাণত বৰ্ণিত কাহিনী আৰু প্ৰতিষ্ঠিত দৰ্শনে ভাৰতীয়সকলৰ প্ৰাণত প্ৰদান কৰি আহিছে জন্মভূমিৰ যশ-মান বৃদ্ধি আৰু উদ্ধাৰৰ বাবে আত্মোৎসৰ্গৰ প্ৰেৰণা।

---

১০। "ৰাষ্ট্ৰীয় সাহিত্যৰ পৰিচয় নিহিত হৈ থাকে ভাষাত নহয়— জাতীয় চেতনাৰ প্ৰতিফলনত।"
— কৰবী ডেকা হাজৰিকা, 'ৰাষ্ট্ৰীয় সাহিত্য', *তুলনামূলক সাহিত্য আৰু অনুবাদ কলা,* পৃ- ২১

### ১.২.২ পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱ ঃ

পশ্চিমৰ পৰা অহা নব্য উদাৰ মানৱতাবাদী দৃষ্টিভংগী আৰু গভীৰ দেশাত্মবোধে ভাৰতীয়সকলক স্বদেশপ্ৰেমৰ মন্ত্ৰত দীক্ষিত কৰিছিল। পশ্চিমীয়া শিক্ষাৰ ফলস্বৰূপে ভাৰতীয় মানুহে বিশ্বলৈ চাব পৰা হৈছিল আৰু ইউৰোপীয় দেশৰ বিশেষকৈ ফ্ৰান্স, ইটালী আৰু ইংলেণ্ডৰ জাতীয়তাবাদী আদৰ্শৰ উত্থানৰ কাহিনীৰ অধ্যয়নেৰে নিজৰ দেশৰ পিনে চাবলৈ শিকিছিল।[১১] জাতীয়তাবোধৰ জাগৰণ ঘটিছিল ঊনবিংশ শতিকাত ইংৰাজী সাহিত্য অধ্যয়নৰ জৰিয়তে। ইংৰাজ জাতিৰ স্বদেশপ্ৰেম সম্বলিত সাহিত্যৰাজিৰ অধ্যয়নে ভাৰতীয়সকলৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত কৰি এক জাগৰণ সৃষ্টি কৰিছিল।

### ১.২.৩ বংগৰ নৱজাগৰণৰ প্ৰভাৱ ঃ

ব্ৰিটিছ শাসনৰ ৰাজনৈতিক ৰাজধানী বংগদেশৰ কলিকতা চহৰ আছিল ভাৰতৰ সাংস্কৃতিক আৰু বৌদ্ধিক আন্দোলনৰ প্ৰাণকেন্দ্ৰ। ব্ৰিটিছ প্ৰৱৰ্ত্তিত ইংৰাজী শিক্ষাৰ মাধ্যমেৰে ইউৰোপৰ নৱ জাগৰণ আৰু আধুনিকতাৰ লগত পৰিচয় হোৱা বংগৰ শিক্ষিতসকলে ধৰ্ম-সমাজ-সংস্কৃতিত নব্য চেতনাৰে প্ৰবল জোকাৰণি তুলিছিল। সাহিত্যৰ ভাববস্তু আৰু বিষয়বস্তুত অভিনৱত্ব আহিছিল। ইউৰোপৰ দৰে বংগ দেশতো 'Revival of classical learning' আৰম্ভ হৈছিল। ছপাযন্ত্ৰৰ স্থাপন, গ্ৰন্থ মুদ্ৰণ, আলোচনী প্ৰকাশ, সংস্কাৰকামী আন্দোলন, শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন, স্ত্ৰী শিক্ষাৰ সম্প্ৰসাৰণ, সহ-মৰণৰ বিৰুদ্ধে আন্দোলন, সংস্কৃত ভাষাত থকা জ্ঞান-ৰাশি বাংলালৈ অনুবাদ আৰু প্ৰচাৰৰ জৰিয়তে সেই জাগৰণ ত্বৰাণ্বিত কৰি তুলিছিল। ভাৰতীয়সকলৰ মাজত আধুনিক যুক্তিবাদী, ধৰ্ম নিৰপেক্ষ, গণতান্ত্ৰিক আৰু স্বদেশ চেতনাসম্ভূত দৃষ্টিভংগী মূলতঃ ইউৰোপৰ শিক্ষা আৰু চিন্তা-চৰ্চাৰ প্ৰভাৱ। কলিকতাকেন্দ্ৰিক এই নৱজাগৰণেই এক কথাত ভাৰতবৰ্ষৰ নৱজাগৰণ। বংগত সৃষ্টি হোৱা এই নৱজাগৰণে সমসাময়িক ভাৰতৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সংকট মোচনৰ পথ মুকলি কৰিছিল। বন্দিনী ভাৰতবৰ্ষৰ মুক্তিৰ

১১। নম্ৰতা দত্ত, *অসমীয়া গীতত ভাৰতৰ স্বাধীনতা আন্দোলন*, পৃ. ৬৭

ধ্বনি নিনাদিত হৈ স্বদেশানুৰাগ বৃদ্ধি পাইছিল। অসমত এই নৱজাগৰণৰ সূত্ৰপাত ঘটাইছিল বংগত পঢ়িবলৈ যোৱা ডেকাসকল আৰু সেই সময়ৰ অসমৰ পৰা বংগদেশলৈ অহা-যোৱা কৰা অসমৰ অভিজাতসকলে। উল্লেখযোগ্য যে, ইউৰোপৰ নৱজাগৰণৰ ক্ষেত্ৰত ইটালিৰ যি ভূমিকা ঠিক একেই ভূমিকা ভাৰতবৰ্ষৰ নৱজাগৰণৰ ক্ষেত্ৰত বংগদেশৰ। এইক্ষেত্ৰত মহেশ্বৰ নেওগৰ মত উল্লেখযোগ্য—

> আধুনিক সাহিত্যৰ প্ৰতিষ্ঠাত যদিও ইংৰাজী সাহিত্যই মূল শক্তি, সেই শক্তিৰ বিস্তাৰত বঙ্গীয় সাহিত্যই অতি কম ক্ৰিয়া কৰা নাই। হেমচন্দ্ৰ বন্দোপাধ্যায়, নবীনচন্দ্ৰ সেন, মধুসূদন দত্ত, বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় সেই যুগৰ বঙ্গৰে নহয়, অসমৰো পাঠক সমাজৰ প্ৰিয় আছিল। লিৰিকত হেমচন্দ্ৰ, নবীনচন্দ্ৰ, কাব্যত মাইকেল, নাটকত গিৰিশচন্দ্ৰ আৰু দ্বিজেন্দ্ৰলাল — এইসকলৰ বঙ্গ সাহিত্যত যেনে উচ্চ স্থান, অসমীয়া বিবিধ সাহিত্য-বিভাগত সেই ধৰণে তেওঁলোকৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল।[১২]

### ১.২.৪ দেশৰ পৰাধীন অৱস্থা ঃ

নিজ দেশৰ পৰাধীন অৱস্থাই স্বদেশপ্ৰেম জাগ্ৰতকৰণৰ অন্যতম কাৰক। ব্ৰিটিছৰ অত্যাচাৰ আৰু ব্ৰিটিছ শাসনৰ অবাঞ্ছনীয় ৰূপে সেই সময়ৰ শিক্ষিত আৰু সন্মিলিত ভাৰতবাসীৰ অন্তৰত স্বদেশপ্ৰেমৰ বীজ ৰোপন কৰিছিল। ব্ৰিটিছ শাসনৰপৰা মুক্তি বিচাৰি দেশৰ স্বাধীনতাৰ বাবে জনগণ উঠি-পৰি লাগিছিল। এই ক্ষেত্ৰত ব্ৰিটিছ বিৰোধী অভিযান, ১৮৫৭ চনৰ ভাৰতৰ প্ৰথম স্বাধীনতা আন্দোলনৰূপে চিহ্নিত চিপাহী বিদ্ৰোহ, অসহযোগ আন্দোলন, '৪২ ৰ গণ বিপ্লৱ ইত্যাদিয়ে পৰাধীন ভাৰতবাসীৰ প্ৰাণত স্বদেশপ্ৰেমৰ অনল শিখা প্ৰজ্বলিত কৰি তুলিছিল। ভাৰতীয় সাহিত্যতো ই এক অন্যাতম অনুপ্ৰেৰণা হৈ ধৰা দিছিল—

> ভাৰতীয় সাহিত্যৰ উমৈহতীয়া এক প্ৰেৰণা হ'ল স্বাধীনতা আন্দোলন। আগৰ কালৰ ৰামায়ণ, মহাভাৰত আৰু ভাগৱত-পুৰাণে যিদৰে ভাৰতৰ সকলো ঠাইতে সমগোত্ৰীয় চিন্তা আৰু আদৰ্শৰ বীজ সিঁচিছিল, পিছৰ কালৰ স্বাধীনতা আন্দোলনেও একেই কাম কৰিছিল। . . . স্বাধীনতা আন্দোলনে জন্ম দিয়া সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল এক

---

১২। মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* ২০১৫, পৃ. ২৪৮

জাতীয় চেতনাৰ উন্মেষণ। এই বিশাল দেশখনক নিজৰ বুলি ভাবিবলৈ আৰু দেশৰ বাবে জীৱন পণ কৰি মৃত্যুবৰণ কৰিবলৈ দেশবাসীয়ে লাভ কৰিছিল অদম্য প্ৰেৰণা। [১৩]

### ১.২.৫ সমাজ সংস্কাৰী আন্দোলন ঃ

বঙ্গত অভ্যুত্থান ঘটা নৱজাগৰণৰ ফলশ্ৰুতিত গঢ় লৈ উঠা বিভিন্ন সমাজ সংস্কাৰী আন্দোলনসমূহেও স্বদেশৰ প্ৰতি গভীৰ অনুৰাগ বৃদ্ধিত সহায় কৰিছিল। আত্মীয় সভা (১৮১৫), ব্ৰহ্ম সমাজ(১৮২৮), আৰ্য সমাজ(১৮৭৫), প্ৰাৰ্থনা সমাজ (১৮৬১), থিয়'চফিকেল চচাইটি (ভাৰত,১৮৮৬)য়ে প্ৰতিষ্ঠা কৰা হিন্দু সভ্যতা আৰু সংস্কৃতিৰ শ্ৰেষ্ঠত্ব আৰু পশ্চিমীয়া শাসনৰ প্ৰতি বৈৰাগ্য, ৰামকৃষ্ণ মিচন(১৮৯৭), স্বামী বিবেকানন্দৰ হিন্দু ধৰ্ম আৰু সমাজ সংস্কাৰী আন্দোলন আদিয়েও ভাৰতবাসীৰ প্ৰাণত স্বদেশপ্ৰেমৰ সোঁত বোঁৱাইছিল। তেওঁলোকে জনসাধাৰণক আত্মসন্মান, আত্মবিশ্বাস, আত্ম উপলব্ধি আৰু স্বদেশপ্ৰেমৰ বিষয়ে অনুভৱ কৰোৱাইছিল। বিবাহৰ ক্ষেত্ৰত নাৰীৰ অধিকাৰৰ ক্ষেত্ৰত পুৰুষানুক্ৰমে চলি অহা কিছুমান ৰীতি-নীতি, প্ৰশাসনিক, সামাজিক ইত্যাদি দিশত এই আন্দোলনসমূহে নেতৃত্ব দিছিল। এইক্ষেত্ৰত ৰাজা ৰামমোহন ৰায়ক ভাৰতীয় নৱ জাগৰণৰ পিতৃ হিচাপে আখ্যা দিয়া হয়।

### ১.২.৬ ইতিহাস চৰ্চা ঃ

স্বদেশপ্ৰেমৰ অন্যতম এক উৎস ইতিহাস চৰ্চা বা বুৰঞ্জী অধ্যয়ন। জাতীয় জীৱনৰ বুৰঞ্জী অধ্যয়নে বা চৰ্চাই দেশৰ মানুহৰ প্ৰাণত অতীতৰ শৌৰ্য-বীৰ্যসম্পন্ন কাহিনী, বীৰত্ব, ত্যাগ আদিয়ে এক প্ৰেৰণাদায়ক চেতনাবোধৰ জন্ম দিয়ে। যিয়ে পৰৱৰ্তী সময়ত স্বদেশপ্ৰেমলৈ পৰ্যবসিত হয়।

> প্ৰাচীন বুৰঞ্জীৰ গৌৰৱোজ্জ্বল দিনবোৰক স্মৃতিৰ ৰোমন্থন হৈ পৰিছিল সাহিত্যৰ অন্যতম বিশেষত্ব। বিভিন্ন অঞ্চলৰ বীৰ শ্বহীদৰ কাহিনী সম্বলিত গীত আৰু কবিতাই ভাৰতবাসীৰ মনোবল যোগান ধৰিছিল। ভাৰতীয় সাহিত্যত প্ৰৱেশ কৰা ৰোমাণ্টিক চেতনাও এই

---

১৩। কৰবী ডেকা হাজৰিকা, *ভাৰতীয় সাহিত্য আৰু অনুবাদ কলা*, পৃ. ২৬

ভাৰতীয় প্ৰাণৰ সুতীব্ৰ অনুভূতিৰে নতুন ৰং সানি জিলিকি উঠিছিল।[১৪]

দেশমাতৃৰ পূজাৰ আহ্বান ধ্বনিত হৈ থকা ইতিহাস বা বুৰঞ্জী চৰ্চাই সেয়ে স্বদেশপ্ৰেমৰ উৎস বা কাৰকৰূপে ভাৰতীয় মনক প্ৰভাৱিত কৰিছিল।

## ১.২.৭ ভাৰতীয় প্ৰেছ আৰু বাৰ্তালোচনীৰ ভূমিকা ঃ

পৰাধীন ভাৰতত আধুনিক ছপাশাল আৰু ডাক ব্যৱস্থা ব্ৰিটিছে নিজৰ প্ৰয়োজনত প্ৰৱৰ্তন কৰিছিল যদিও সময়ত দ্ৰুত আৰু ব্যাপক প্ৰচাৰৰ জৰিয়তে বিভিন্ন মতামত, ধ্যান-ধাৰণা, বিশ্বাস-সংশয়, ভাবাবেগ বৃহৎ সংখ্যক লোকৰ মাজত বিয়পাই দি ভাৰতবাসীৰ মাজত ঐক্যমত তথা আবেগিক ঐক্য গঠন কৰাত প্ৰভূত অৰিহণা আগ বঢ়াইছিল। আধুনিক সাহিত্য আৰু সাংবাদিকতাৰ বিস্তাৰৰ ক্ষেত্ৰত অপৰিসীম অৱদান আগ বঢ়াই দেশৰ বিভিন্ন ঠাইৰ পৰা বিভিন্ন বাতৰি কাকত প্ৰকাশ হৈছিল। অমৃতবজাৰ পত্ৰিকা, দ্যা হিন্দু, দ্যা পেট্ৰিয়ট, দ্যা আজাদ, দ্যা ইণ্ডিয়ান মি'ৰৰ, দ্যা ত্ৰিবিউন, দ্যা এডুকেটেড ইত্যাদি কাকতবিলাকে কেৱল ইংৰাজ চৰকাৰৰ অবিচাৰ সম্পৰ্কীয় সমালেচনাই নাছিল, এইবিলাকে ৰাজনৈতিক ধাৰণা আৰু স্বদেশপ্ৰেমৰ মনোভাৱ বিয়পাবলৈ সক্ষম হৈছিল। ঊনবিংশ শতিকাত বংগত গঢ় লৈ উঠা বাঙালী জাতীয়তাবোধৰ নায়ক ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, বংকিমচন্দ্ৰ চট্টোপধ্যায়, দয়ানন্দ সৰস্বতী, ৰাণা ডে আৰু স্বামী বিবেকানন্দৰ বাণী ভাৰতৰ চুকে-কোণে গৈ শিক্ষিত ভাৰতীয়ৰ অন্তৰত থিতাপি লৈছিল। শিক্ষিত ভাৰতীয়সকলৰ প্ৰাণত এক দেশ, এক জাতি ধাৰণা সৃষ্টি হ'ল আৰু অনৈক্যৰ মাজত এক ঐক্য স্থাপিত কৰাত এই বাৰ্তালোচনীবিলাক সহায়ক হ'ল। স্বদেশপ্ৰেম সৃষ্টিত সেয়ে বিভিন্ন কাকত, আলোচনীৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ ৰূপে চিহ্নিত। কাকত-আলোচনীত প্ৰকাশিত জাতীয় চেতনা সম্বলিত বিবিধ লেখাই দেশবাসীৰ প্ৰাণত স্বদেশৰ প্ৰতি অনুৰাগ বৃদ্ধিত প্ৰভূত অৰিহণা আগবঢ়ায়।

১৪। উল্লিখিত

### ১.২.৮ অসমৰ বিভিন্ন আলোচনী আৰু সভা-সমিতিৰ ভূমিকা ঃ

অসমীয়া সকলৰ প্ৰাণত ১৮৪৬ চনত প্ৰকাশিত 'অৰুনোদই' সংবাদ পত্ৰই বিয়পাই দিয়া ভাষিক আৰু সাংস্কৃতিক চেতনাবোধে অসমবাসীক জাতীয় প্ৰেমত উদ্বুদ্ধ কৰিছিল। পৰৱৰ্তী সময়ত প্ৰকাশিত জোনাকী (১৮৮৯), বিজুলি (১৯৯০), ঊষা (১৯০৭), বাঁহী (১৯০৯), আলোচনী (১৯১০), চেতনা (১৯১৯), আৱাহন (১৯২৯) আদি আলোচনীয়ে অসমীয়াসকলৰ প্ৰাণত স্বদেশচেতনা গভীৰ হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

> ৰমন্যাসিক লেখকসকলৰ স্বদেশ চিন্তা আৰু মানুহৰ প্ৰতি থকা আন্তৰিকতাই ব্যক্তিভেদে আৰু সময়ভেদে ভিন ভিন ৰূপ গ্ৰহণ কৰিছে। জোনাকী, উত্তৰ-জোনাকী, বাঁহী আৰু চেতনা, মিলন আৰু আৱাহন স্তৰৰ কবিসকলৰ ৰচনাকৃতিত স্বদেশপ্ৰেমৰ এই ভিন্ন বৈচিত্ৰ্য পৰিলক্ষিত হয় —। উল্লেখযোগ্য যে, এনে বৈচিত্ৰ্যস্বত্বেও ৰমন্যাসিক লেখকসকলৰ ভাষিক আৰু সাংস্কৃতিক চেতনাই দেশপ্ৰেমৰ উমৈহতীয়া প্ৰেৰণা হিচাপে ক্ৰিয়া কৰি আহিছে। ভাষিক আৰু সাস্কৃতিক জাতীয়তাবোধৰ মাজেদি তেওঁবিলাকৰ দেশপ্ৰেমে প্ৰকাশ লাভ কৰিছে ...। [১৫]

অসমৰ বিভিন্ন স্থানত গা কৰি উঠা বিভিন্ন সভা-সমিতি যেনে জ্ঞান প্ৰদায়িনী সভা, নগাঁও (১৮৫৭),[১৬] অসম দেশ হিতৈষিণী সভা, শিৱসাগৰ (১৮৮৬),[১৭] য়ুনিয়ন (নগাঁও),[১৮] গুৱাহাটী স্কুল

---

১৫। জ্যোতিমালা গোহাঁই ফুকন, *অসমীয়া ৰমন্যাসিক সাহিত্য,* পৃ. ১০১

১৬। "আনন্দৰাম ঢেকিয়াল ফুকনে গুণাভিৰাম বৰুৱাক লগত লৈ ১৮৫৭ চনত কলিকতাৰ বেথুন সভাৰ আৰ্হিত নগাঁৱত 'জ্ঞান প্ৰদায়িনী সভা' প্ৰতিষ্ঠা কৰিছিল। এই অনুষ্ঠানৰ উদ্দেশ্য আছিল জনসাধাৰণৰ মাজত জ্ঞানৰ পোহৰ বিলোৱা।"
সাগৰ বৰুৱা, *ভাৰতৰ স্বাধীনতা আন্দোলনত অসম,* (প্ৰথম খণ্ড), পৃ. ৬

১৭। "জ্ঞান প্ৰদায়িনী সভা'ৰ আৰ্হিত ১৮৮৬ চনত প্ৰিয়লাল বৰুৱা নামৰ এগৰাকী শিক্ষা বিষয়াৰ উদ্যোগত শিৱসাগৰত আসাম দেশ হিঁতৈষিনী নামেৰে এটি অনুষ্ঠানৰ জন্ম হৈছিল। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশ সাধন কৰি অসমৰ মানুহৰ মাজত সচেতনতা বৃদ্ধি কৰা আছিল এই অনুষ্ঠানৰ এটা উদ্দেশ্য।"
উদ্ধৃত, সাগৰ বৰুৱা, *ভাৰতৰ স্বাধীনতা আন্দোলনত অসম,* (প্ৰথম খণ্ড) পৃ. ৬, মূল ঃ Dimbeswar Neog, New Light on the History of Assamese Literature, p. 391

১৮। "আশীৰ দশকত নগাঁৱত বলিনাৰায়ণ বৰা, জানকী নাথ সেন, গুণাভিৰাম বৰুৱা প্ৰমুখ্যে আঢ্যৱন্ত লোকৰ প্ৰচেষ্টাত 'য়ুনিয়ন' নামেৰে এটি সান্ধ্যানুষ্ঠানৰ আয়োজন হৈছিল। এই অনুষ্ঠানত সমাজ, সংস্কৃতি, সাহিত্য আদি বিষয় আলোচনা হৈছিল।"
উল্লিখিত, মূল ঃ শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ, শ্বহীদ ভৱন আৰু পাব্লিক লাইব্ৰেৰী, নগাঁও, পৃ. ১০৩

ক্লাব (১৮৬১)[১৯] ৰ জৰিয়তে হোৱা সাহিত্য-চৰ্চাই অসমত ৰাজনৈতিক চেতনা জাগ্ৰত কৰি স্বদেশানুৰাগ বৃদ্ধি কৰাত ভূমিকা পালন কৰিছিল। তাৰ উপৰিও কানি নিবাৰণী সভায়ো'[২০] অসমত স্বদেশপ্ৰেম বিস্তাৰ কৰাত ভূমিকা পালন কৰিছিল।

১৮৭২ চনত কলিকতাত গঠন হোৱা অসমীয়া ছাত্ৰৰ সাহিত্য চ'ৰা, ১৮৮৮ চনত অসমীয়া ভাষা উন্নতি সাধিনী সভা, সভাৰ মুখপত্ৰ 'জোনাকী' প্ৰকাশ (১৮৮৯), স্বদেশী আন্দোলন, অসম এছ'চিয়েশ্যন (১৯০৩), যোৰহাট সাৰ্বজানিক সভা (১৮৮৪), বিদেশী বস্তু বৰ্জন, বৃটিছ আমদানিকৃত নিমখ বৰ্জন, স্বদেশী দোকান স্থাপন, বঙ্গ-ভঙ্গ আন্দোলন, অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন, গান্ধীজীৰ অসম ভ্ৰমণ, অসম ছাত্ৰ সন্মিলন (১৯১৬) ইত্যাদি বিলাকে অসমত অসমীয়াৰ প্ৰাণত স্বদেশানুৰাগ প্ৰোথিত কৰিছিল। অসমীয়া সংবাদ সাহিত্যত তাৰ প্ৰতিফলনে অসমবাসীক উৎসাহিত কৰিছিল আৰু স্বদেশপ্ৰেমৰ ভাব বিয়পাই দিছিল।

## ১.৩ জাতীয়তাবাদী চিন্তা আৰু ভাৰতীয় সাহিত্যত স্বদেশপ্ৰেমৰ আভাস ঃ

স্বদেশপ্ৰেমক সাৰ-পানী যোগান ধৰে জাতীয়তাবাদী চিন্তা-চৰ্চাই। জাতীয়তাবাদী চিন্তা-চৰ্চাৰ মূলতে হ'ল নিজ দেশক, নিজ মাতৃভূমিক অৰ্থাৎ নিজ জাতিক বলিষ্ঠভাৱে প্ৰতিষ্ঠা কৰা আৰু সৰ্বতোপ্ৰকাৰে ৰক্ষা কৰা। সপ্তদশ শতিকাত ইংলেণ্ডত পোন প্ৰথমবাৰৰ বাবে জাতীয়তাবাদী চিন্তাৰ উন্মেষ ঘটে। ডেনবিলাকে ইংলেণ্ড আক্ৰমণ কৰি গীৰ্জা, মঠ, গ্ৰন্থাগাৰ আদি ভাঙি চুৰমাৰ কৰি ইংলেণ্ডৰ উত্তৰাঞ্চল শ্মশানত পৰিণত কৰাত স্বদেশ আৰু স্বজাতিক ৰক্ষা কৰিবৰ বাবে দেশৰ জনগণ একগোট হৈ পৰিছিল। এই জাতীয়তাবাদে ক্ৰমে না না ৰূপত সক্ৰিয় ৰূপ পৰিগ্ৰহণ কৰি প্ৰসাৰতা লাভ কৰিছিল।

১৯। "১৮৬৯ চনত গোৱাহাটীত (গুৱাহাটী) "গোৱাহাটী স্কুল ক্লাব" নামেৰে এটি অনুষ্ঠান সৃষ্টি হৈছিল। মাণিক চন্দ্ৰ বৰুৱা এই অনুষ্ঠানৰ উদ্যোক্তা আছিল। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞান বৃদ্ধি কৰাৰ উদ্দেশ্য এই অনুষ্ঠানত ফৰাচী বিপ্লৱ সভ্যতাৰ স্বৰূপ, অসমৰ বুৰঞ্জী আদি বিষয়ৰ ৰচনা পাঠ হৈছিল।"

- উল্লিখিত, মূল ঃ প্ৰফুল্ল দত্ত গোস্বামী, 'মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ', পৃ. ৫

২০। "ঊনৈশ শতিকাৰ শেষৰফালে অসমত জন্মলাভ কৰা অন্যান্য ৰাজহুৱা অনুষ্ঠানসমূহৰ ভিতৰত 'কানি নিবাৰণী সভা'ৰ নাম ল'ব পাৰি। অসমৰ বিভিন্ন ঠাইত গঢ় লৈ উঠা এই সভাই কানি বৰবিহৰ পৰা অসমক ৰক্ষা কৰিবলৈ প্ৰচেষ্টা চলোৱাৰ মাজেৰে স্বদেশপ্ৰেমৰো সোঁত বোৱাইছিল।"

- উল্লিখিত, পৃ. ৭, মূল ঃ পদ্মনাথ গোহাঞিবৰুৱা, *মোৰ সোঁৱৰণী*, পৃ. ৪৭

এক ভাৰত আৰু বিশাল ভাৰত সৃষ্টিত অৰিহণা যোগোৱা ১৭৮৯ খ্ৰীষ্টাব্দত সংঘটিত ফৰাচী বিপ্লৱৰ সুদুৰপ্ৰসাৰী জাতীয়তাবাদী সাম্য-মৈত্ৰী-স্বাধীনতা আৰু মানৱতাবাদে বিশ্বৰ সমগ্ৰ স্বাধীনতাকামী জনগণৰ অন্তৰ কঁপাই তুলিছিল। ৰজাৰ শাসন-শোষণ, কু-সংস্কাৰৰ বিৰুদ্ধে এই বিপ্লৱে বিদ্ৰোহ কৰিছিল। ৰু'ছোৰ দাৰ্শনিক মতবাদেও স্বাধীনতা প্ৰয়াসত উদগনি যোগাইছিল। ৰুছোৱে মানুহৰ মাজত সমতাৰ ধ্বনি তুলিছিল। জনপ্ৰিয় সাৰ্বভৌমত্বক বিশ্বাস কৰা ৰুছোৰ মতে চৰকাৰৰ নিজা ক্ষমতা নাই। জনগণৰ পৰাহে চৰকাৰে শাসনৰ ক্ষমতা লাভ কৰে।... ৰাইজৰ মতেই চৰকাৰৰ মত। জনসাধাৰণৰ সম্পূৰ্ণ স্বাধীনতা বিচৰা ৰুছোৰ মতে, প্ৰতিজন মানুহ জন্মতে স্বাধীন। কিন্তু সকলো ক্ষেত্ৰতে তেওঁক শিকলি লগাই থোৱা হৈছে। গণতন্ত্ৰত বিশ্বাসী ৰুছোৰ আহ্বানত ধ্বনিত হোৱা মানুহৰ নৰ মৰ্যাদাৰ বাৰ্তা পৃথিৱীৰ চুকে-কোণে বিয়পি পৰিল। মানুহৰ হৃদয়ৰ গভীৰত ৰু'ছোৰ দৰ্শন, প্ৰকৃতি, ৰু'ছোৰ 'Return to nature' অৰ্থাৎ প্ৰকৃতিলৈ উভতি যোৱাৰ ধ্বনিয়ে ফৰাচী দ্বীপৰ আকাশ-বতাহ কঁপাই তুলিছিল আৰু ফৰাচী বিপ্লৱৰ মূল মন্ত্ৰ হৈ পৰিছিল।

ঊনবিংশ শতিকাৰ আৰম্ভণিৰে পৰাই সাম্ৰাজ্যবাদী শোষণৰ বিপৰীতে সামগ্ৰিক পৰিৱৰ্তন সূচীত হৈছিল। পশ্চিমীয়া আধুনিকতা আৰু পশ্চিমীয়া সাহিত্যত জন্মভূমিৰ গৌৰৱ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰুছোৰ মুক্তি আহ্বানৰ ফলশ্ৰুতিত শ্বেক্সপীয়েৰ, ৱৰ্ডচৱথ, ক'লৰিজ, শ্যেলী, কীট্‌ছ, মিল্টন, স্কট আদিয়ে নব্য ভাৱধাৰাৰ সাহিত্য সৃষ্টি কৰিলে, য'ত আত্মমুক্তি আৰু স্বাধীনচিতীয়া মনোভাৱক প্ৰাধান্য দিয়া এক বৈপ্লৱিক পৰিৱৰ্তন আহিছিল। ভাৰতীয় জাতীয়তাবাদ ইংৰাজ ৰাজত্বৰ কালত পাশ্চাত্য প্ৰভাৱৰ ফলশ্ৰুতিত জন্ম। ভাৰতীয় সাহিত্য-সংস্কৃতি জগতত জাতীয় চেতনা পশ্চিমক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠিছিল। ভাৰতীয়সকলে গণতন্ত্ৰ, স্বাধীনতা আৰু জাতীয়তাবোধৰ ধাৰণা আহৰণ কৰিছিল পশ্চিমীয়া লেখকৰ সাহিত্যৰাজিৰ পৰা। অন্যহাতে ইংৰাজী ভাষাৰ জৰিয়তে একতাৰ চিন্তা, ধাৰণা আৰু অনুভৱ বিনিময়ৰ মাধ্যমৰূপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পশ্চিমৰ পৰশত স্বদেশৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা, প্ৰেম অনুৰণিত হ'ল। ইংৰাজৰ শাসন কালত বাঢ়ি অহা জটিল জীৱনৰ তিক্ততাই নিজ দেশৰ প্ৰতি অনুৰাগ তীব্ৰ কৰি তুলিছিল। বাংলা সাহিত্যত নীলদৰ্পণ, আনন্দমঠ, মেঘনাদ বধ প্ৰভৃতি গ্ৰন্থই স্বদেশপ্ৰেমক প্ৰকাশ ঘটাই জাতিক জাতীয় প্ৰেমত উদ্বুদ্ধ কৰিছিল। 'বঙ্কিম বাবুৰ 'আনন্দমঠ' উপন্যাসৰ

ভিতৰৰ ‘বন্দে মাতৰম্’ গীত আৰু হেমচন্দ্ৰৰ কবিতাতেই বঙলাত জাতীয় ভাৱৰ প্ৰথম উন্মেষ হয়।’[২১] তাৰ উপৰিও কাজি নজৰুল ইছলাম, ৰবীন্দ্ৰনাথ ঠাকুৰ, জীবনানন্দ দাশ প্ৰমুখ্যে কবিসকলৰ কবিতাই স্বদেশপ্ৰেমৰ অনল শিখা প্ৰজ্বলিত কৰিছিল। বঙ্কিমচন্দ্ৰ চট্টোপধ্যায়ৰ ‘বন্দে মাতৰম’, ৰবীন্দ্ৰনাথ ঠাকুৰৰ ‘জন গণ মন অধিনায়ক জয়হে’, ইকবালৰ ‘সাৰে জাহা সে আচ্ছা হিন্দুস্থান হামাৰা’, দ্বীজেন্দ্ৰলালৰ ‘ভাৰতবৰ্ষ’, নজৰুলৰ ‘পূজাৰিনী’ আদিয়ে বংগৰ লগতে ভাৰতীয়সকলৰ প্ৰাণত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰি স্বদেশপ্ৰেমৰ সুতীব্ৰ আৱেগ সৃষ্টি কৰিছিল। ইয়াৰ উপৰিও উড়িয়া সাহিত্যত মধুসুদন দাস, হিন্দী সাহিত্যত মাখন লাল চৰ্তুবেদী, নাৰায়ণ মিশ্ৰ, সুভদ্ৰা কুমাৰী চৌহান, জয়শঙ্কৰ প্ৰসাদ, শ্ৰীনিবাস দাস, ইকবাল, তামিল সাহিত্যত কবি সুব্ৰমন্য ভাৰতী আৰু মালায়ালাম সাহিত্যত কবি ভাল্লাটোল কুমাৰ আছান, উল্লাহ পৰমেশ্বৰ আয়াৰ ইত্যাদি সাহিত্যিকৰ সাহিত্যকৰ্মই সমগ্ৰ ভাৰতবৰ্ষতে স্বদেশানুৰাগ বৃদ্ধিত অৰিহণা যোগাইছিল।

### ১.৪ অসমীয়া সাহিত্যত স্বদেশপ্ৰেম ঃ

অসমীয়া সাহিত্যত স্বদেশপ্ৰেম সাধাৰণ ৰূপত *‘অৰুনোদই’* (১৮৪৬-১৮৮০) যুগৰ পৰাহে প্ৰকাশ পায় আৰু পৰৱৰ্তী কালত *‘জোনাকী’*(১৮৮৯-১৯০৩) আলোচনীৰ জৰিয়তে এই ধাৰাৰ সাহিত্যই বলিষ্ঠ ৰূপত বিকাশ লাভ কৰে। *‘অৰুনোদই’* হ’ল আধুনিক অসমীয়া ভাষা আৰু আধুনিক অসমীয়া জাতীয় চৈতন্য প্ৰতিষ্ঠা কৰা প্ৰথম আলোচনী। ‘অৰুনোদই’ত প্ৰকাশিত আনন্দৰাম ঢেকিয়াল ফুকনৰ ‘ইংলেণ্ডৰ বিৰৰন’ (এপ্ৰিল, ১৮৪৭) প্ৰবন্ধৰ মাজতেই অসমীয়া মানুহৰ গভীৰ জাতীয় চৈতন্যয়ো প্ৰথম আত্মপ্ৰকাশ কৰিছিল।’ [২২] মাতৃভাষাৰ মহত্ব, গুৰুত্ব আৰু শক্তিৰ স্বৰূপ উদঙাই *‘অৰুনোদই’*য়ে অসমীয়া মানুহৰ প্ৰাণত মাতৃভাষাৰ প্ৰতি প্ৰেম আৰু দায়িত্ববোধ জগাই তুলিছিল। তাৰ আগলৈকে সেই চেতনা

২১। মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, ২০১৫.পৃ. ২৪৮
২২। মহেশ্বৰ নেওগ (সম্পা.), *ভূমিকা, অৰুনোদই*, পৃ. :.১৩১
নগেন শইকীয়া, *ভূমিকা, জোনাকী*, পৃ. ·০০৪
নগেন শইকীয়া, *অৰুনোদইৰ পৰা জোনাকীলৈ*, পৃ. ১৫

এনেভাৱে জাগ্ৰত হোৱা নাছিল। *'অচমীয়া ভাসা'* (১৮৫৪, ফেবৰুআৰি, ডিচেম্বৰ, ১৮৫৫) আৰু *'মাত্রি-ভাসাৰ সক্তি'* (মাৰ্চ, ১৮৫৬) আদি প্ৰবন্ধ এইক্ষেত্ৰত উল্লেখযোগ্য। অসমীয়া মানুহৰ মনৰ পৰা ভাষিক হীনমন্যতা দূৰ কৰি অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ যুঁজত অসমীয়াসকলক অৱতীৰ্ণ কৰোৱাইছিল আৰু আত্মৰক্ষাৰ সংগ্ৰামত ব্ৰতী হোৱাৰ মন্ত্ৰও এই *'অৰুনোদই'*য়ে অসমীয়াসকলক শিকাইছিল। অসমীয়া ভাষাৰ হকে *'অৰুনোদই'*য়ে আৰম্ভ কৰা সংগ্ৰামক তীব্ৰতৰ কৰি তুলিছিল আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা[২৩] আৰু গুণাভিৰাম বৰুৱাই। *'অৰুনোদই'* কাকতে সৃষ্টি কৰা ভাষিক জাতীয় চৈতন্যৰ ধাৰাটি ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা বিংশ শতিকাৰ মাজভাগলৈকে অসমীয়া সাহিত্যৰ ঘাই আধাৰস্বৰূপ হৈ থাকিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, এই ত্ৰিমূৰ্তিৰ মাজেদি প্ৰকাশিত ভাষিক আৰু সাংস্কৃতিক জাতীয় চেতনা ধাৰাটিৰ উৎসভূমি হ'ল *'অৰুনোদই'* কাকতে সৃষ্টি কৰা উৎসভূমি। পৰৱৰ্তী ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ ভূমিকাও উল্লিখিত ভাৱশক্তিৰ দ্বাৰাই নিয়ন্ত্ৰিত হৈছিল। স্বদেশ স্বজাতি, ভাষা-সাহিত্য-সংস্কৃতিৰ হেৰুওৱা ঐতিহ্য পুনৰ উদ্ধাৰৰ আৰু পুনঃ প্ৰতিষ্ঠাৰ দিশত *'জোনাকী'*আলোচনীয়ে সৃষ্টি কৰা আন্দোলনৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ।[২৪] অৱশ্যে *'জোনাকী'*ৰ উপৰিও সেই সময়ৰ অন্যান্য বাৰ্তালোচনীৰ ভূমিকাও এইক্ষেত্ৰত স্মৰণীয়।

> 'পৰৱৰ্তী পদ্মনাথ গোহাঁঞি বৰুৱা আৰু বেণুধৰ ৰাজখোৱাৰ 'বিজুলী', গোহাঞিবৰুৱাৰ 'ঊষা', লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী', অমিয় কুমাৰ দাস আৰু মাধৱচন্দ্ৰ বেজবৰুৱাৰ 'আলোচনী', অম্বিকাগিৰীৰ 'চেতনা', ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন', কমলাকান্ত ভট্টাচাৰ্যৰ 'আসাম হিতৈষী', দীননাথ শৰ্মাৰ 'আৱাহন' (১ ম ছোৱা) আদি আলোচনীসমূহে জোনাকীৰ মন্ত্ৰত দীক্ষিত হৈছিল আৰু অসমীয়া সাহিত্যৰ অগ্ৰগতি অব্যাহত ৰাখিবলৈ সকলো প্ৰকাৰৰ সা-সুবিধা দি আহিছিল। সেইদৰে জোনাকীৰ জোৰৰ পোহৰৰ দ্বাৰা এইবোৰ আলোচনী আলোকিত হৈ অসমীয়া সাহিত্যৰ সেই আন্দোলনক সঞ্জীৱিত কৰি তুলিবলৈ আগবাঢ়ি আহিল। তাৰ সুফলো আমি দেখিবলৈ পাইছোঁ।[২৫]

---

২৩। "হেমচন্দ্ৰৰ আৱিৰ্ভাৱ আচলতে অসমীয়া ভাষা সংৰক্ষণৰ ক্ষেত্ৰত ঈশ্বৰৰ এক দুৰ্লভ আশীৰ্বাদ।"
- সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, 'আধুনিক অসমীয়া সাহিত্য ঃ অৰুনোদই', *অসমীয়া সাহিত্যৰ কথা,* পৃ. ৫২

২৪। "'অৰুনোদই' যুগৰ জৰিয়তে গঢ় লোৱা ভাৱধাৰা আৰু প্ৰেৰণাই 'জোনাকী'ৰ শীতল আৰু ব্যাপক ছাঁত অধিক মোহনীয় ৰূপ লাভ কৰে।"
- সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, 'আধুনিক অসমীয়া সাহিত্য ঃ অৰুনোদই', *অসমীয়া সাহিত্যৰ কথা,* পৃ. ৫১

২৫। সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, 'ৰোমাণ্টিক আলোড়ন ঃ জোনাকী' ,*অসমীয়া সাহিত্যৰ কথা,* পৃ. ৫৭

স্বদেশপ্ৰেমৰ এই ৰূপ অসমীয়া সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাৰ মাজেৰে বলিষ্ঠভাৱে বিকাশ লাভ কৰে। জোনাকী যুগতে প্ৰতিষ্ঠা লাভ কৰা স্বদেশপ্ৰেমে ৰূপান্তৰৰ মাজেৰে বৰ্তমান অসমীয়া সাহিত্যতো অন্তঃসলিলা ফল্গুৰ দৰে বৈ আছে।

আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাৰ উপৰিও লম্বোদৰ বৰা, কমালকান্ত ভট্টাচাৰ্য, ভোলানাথ দাস আদি ৰোমাণ্টিক যুগৰ পূৰ্বৰ সাহিত্যিকসকলৰ ৰচনাত জাতীয় জাগৰণৰ ধ্বনি, পৰাধীনতাৰ গ্লানি, জাতীয় অধঃপতনৰ পৰা মুক্তিৰ আহ্বান সুতীব্ৰ ৰূপত শুনিবলৈ পোৱা যায়।

*'জোনাকী'* আলোচনীয়ে সৃষ্টি কৰা বেজবৰুৱা যুগ বা ৰোমাণ্টিক যুগ (১৮৮৯-১৯৪০) ৰ ঘাই চালিকা শক্তিয়েই আছিল স্বদেশপ্ৰেম। স্বদেশপ্ৰেম এই যুগৰ সাহিত্যৰ বিভিন্ন ৰূপৰ মাজত পৰিব্যাপ্ত ৰূপত দেখা যায়। এইক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সৰ্বাধিক।[২৬] বেজবৰুৱাই সমগ্ৰ জীৱন স্বদেশ আৰু স্বজাতিৰ কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যক ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধিশালী কৰি প্ৰতিষ্ঠা কৰাৰ লগতে স্বদেশপ্ৰেম বিস্তাৰ ঘটোৱাত অহোপুৰোষাৰ্থ কৰিছিল।

> এই সুগভীৰ স্বদেশানুৰাগ, স্বদেশপ্ৰীতি বেজবৰুৱা সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁৰ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁ হাঁহি -ধেমেলীয়া ৰচনাৰ পৰা আৰম্ভ কৰি শেষৰ ডোখৰৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৰে ঐক্যসূত্ৰ এই স্বদেশানুৰাগ, এই স্বদেশপ্ৰীতিয়েই বেজবৰুৱা সাহিত্যৰ মূলমন্ত্ৰ। [২৭]

সাহিত্যৰ বিভিন্ন উপাদানৰ জৰিয়তে অসমীয়া সাহিত্যত স্বদেশপ্ৰেমৰ প্ৰকাশ তলত আলোচনা কৰা হ'ল।

---

২৬। " 'জোনাকী'ৰ দলটোৰ ভিতৰতো লক্ষ্মীনাথ বেজবৰুৱাৰ চেষ্টা আৰু ব্যক্তিত্বৰ চূড়া সবাতো ওখ হৈ জিলিকি উঠা কাৰণে তেওঁলোকে সকলো সাহিত্যিকে অনুপ্ৰেৰণা আৰু অনুশাসনৰ বাবে মূৰ তুলি চাইছিল।"
-মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, ২০১৫, পৃ. ২৫২

২৭। বাণীকান্ত কাকতি, 'বেজবৰুৱা', *বাণীকান্ত চয়নিকা*, সম্পা., মহেশ্বৰ নেওগ, পৃ. ১২৯

## ১.৪.১ কবিতা ঃ

'অৰুনোদই' পৰৱৰ্তী জোনাকী কাকতে সৃষ্টি কৰা সাহিত্যিক আন্দোলন প্ৰধানতঃ কবিতা কেন্দ্ৰিক। ভাষিক আৰু সাংস্কৃতিক জাতীয়তাবোধৰ মাজেৰে এই আন্দোলনে স্বদেশপ্ৰেমক পৰিব্যাপ্ত ৰূপত বিস্তাৰ ঘটাইছিল। দেশৰ শৌৰ্য-বীৰ্যসম্পন্ন অতীতলৈ ঘুৰি চাই জাতীয়তাৰ ভাৱ আহৰণ কৰা এই যুগৰ কবিসকলক দেশৰ পৰাধীন অৱস্থা, সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক বিপৰ্যয় আদিয়ে এনে কবিতা লিখিবলৈ উদগনি যোগাইছিল। ফৰাচী বিপ্লৱৰ প্ৰভাৱত ইংলেণ্ড, ইটালী, স্পেইন আৰু জাৰ্মানীত যিদৰে বহুতো স্বদেশপ্ৰেমৰ কবিতা সৃষ্টি হৈছিল — ঠিক সেইদৰে দেশ জাগৰণৰ আন্দোলনে অসমতো বহুতো স্বদেশপ্ৰেমৰ কবিতা সৃষ্টি কৰিছিল। এনে কবিতাবিলাকে দেশ আৰু দেশৰ মানুহৰ স্বাধীনতা, মুক্তিৰ বাণী ধ্বনিত কৰি দেশবাসীৰ প্ৰাণত স্বদেশপ্ৰেম বিয়পাই দিছিল। বংগৰ নৱজাগৰণে মুকলি কৰা দুৱাৰেদি অসমীয়া কবিসকলেও কাব্য ৰচনাত স্বদেশপ্ৰেমক মূল বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছিল।[২৮] এইক্ষেত্ৰত 'অসমীয়া কবিতাত জোনাকী যুগে অনা নতুন লহৰত দেশপ্ৰেমৰ উজ্জ্বল প্ৰকাশ প্ৰথমেই চকুত পৰে।'[২৯] অতীত অসমৰ গৌৰৱ গাথা, যশৰাশি আৰু মহৎ ঐতিহ্য আদিক অনুপ্ৰেৰণাৰ বিষয়বস্তুৰূপে গ্ৰহণ কৰিছিল। সেইবুলি তেওঁলোকৰ দেশপ্ৰেমৰ পৰিসৰ সংকীৰ্ণ হোৱা নাছিল। বৰঞ্চ আঞ্চলিকতা ভেদ কৰি বিশ্বপ্ৰেমৰ ফালে ধাবিত হোৱা পৰিলক্ষিত হয়। অসমীয়া কবিতাত স্বদেশপ্ৰীতিৰ প্ৰৱাহ বেজবৰুৱাতে আৰম্ভ হয় আৰু স্বাধীনতা আন্দোলনত সেই ভাৱ পৰিপুষ্ট হৈ বিংশ শতাব্দীৰ তৃতীয়-চতুৰ্থ (১৯২০-৪০) দশকত তেনে ভাবৰ কবিতাৰ জোৱাৰ উঠিছিল।[৩০]

---

২৮। "ৰংপুৰ ৰংপুৰ ৰংৰসে ভৰপুৰ, ৰঙতে ৰাঙলী ৰংচ'ৰা", "শত মেটছিনি জন্ম লভিব পৰি থকা এই শিলৰ পৰা," "আহাঁহে শঙ্কৰ অনন্ত কন্দলি মাধৱ ধৰ্মপ্ৰাণ, বিশ্বজনীন বৈষ্ণৱ ধৰ্মৰে জগোৱা জাতিৰ জ্ঞান," "এই বৰদোৱা ইয়াতে শঙ্কৰে তুলিলে মানৱী লীলাৰ অঙ্ক।" "শুনা ঐ বৰাগী অসমৰ কাহিনী অসমৰ যশৰাশি" — এই ম'হ গড়, এই মহগড়, শেষ স্বাধীনতা যুদ্ধ অসমৰ' — আদি অনুপ্ৰেৰণা তেওঁলোকৰ বিষয়বস্তু।"
- বীৰেণ বৰকটকী, *অসমীয়া ৰোমাণ্টিক কবিতা, 'আধুনিৰ অসমীয়া সাহিত্যৰ পৰিচয়',* সম্পা. লীলা গগৈ, পৃ.৭৪

২৯। কৰবী ডেকা হাজৰিকা, *অসমীয়া কবিতা,* পৃ.১৩৭

৩০। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* পৃ.৩২৭

> সাহিত্যৰ যিকোনো মাধ্যমতে গীত, কবিতা, নাটক, উপন্যাস, চুটিগল্প, প্ৰবন্ধ আদিত জাতীয়তাবাদী চিন্তা-চৰ্চা প্ৰকাশ পাব পাৰে। কিন্তু এই সকলোবোৰৰ ভিতৰত কবিতাই আটাইতকৈ বিশিষ্ট মাধ্যম যাৰ মাজেদি জাতীয় আৱেগ, জাতীয় চেতনা আৰু স্বদেশপ্ৰীতি আটাইতকৈ বেছি মুখৰ হৈ উঠাৰ সুবিধা পায়। . . . স্বদেশপ্ৰীতিৰ প্ৰকাশ মাধ্যম হিচাপে কবিতাৰ উপযোগিতা আটাইতকৈ তীব্ৰ।[৩১]

লক্ষ্মীনাথ বেজবৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী, শৈলধৰ ৰাজখোৱা, হিতেশ্বৰ বৰবৰুৱা, পদ্মধৰ চলিহা, নলিনীবালা দেৱী, উমেশ চন্দ্ৰ চৌধুৰী, মিত্ৰদেৱ মহন্ত, জ্যোতিপ্ৰসাদ আগৰৱালা আদি কবিসকল এইক্ষেত্ৰত উল্লেখযোগ্য।

জাগ্ৰত স্বদেশানুৰাগ বেজবৰুৱাৰ জীৱনৰ মূল মন্ত্ৰ আৰু সৃষ্টিৰ অনুপ্ৰেৰণা। বেজবৰুৱাৰ 'বীণ ব'ৰাগী,' 'অসম সংগীত', 'মোৰ দেশ', 'ব্ৰহ্মপুত্ৰ সংগীত', 'আমাৰ জন্মভূমি' আদি কবিতাই স্বদেশপ্ৰেমৰ চূড়ান্ত নিদৰ্শণ দাঙি ধৰে। বেজবৰুৱাৰ 'বীণ ব'ৰাগী' কবিতাটোত প্ৰকাশিত অতীত অসমৰ যাতনা, দুখৰ স্মৃতি আৰু গৌৰৱোজ্জ্বল দিনৰ স্মৃতিয়ে গভীৰভাৱে পাঠকক প্ৰভাৱিত কৰে। শোকৰ বোজাটি বব ঐ নোৱাৰোঁ অন্তৰত পাওঁ বেথা বুলি কোৱা কবি বেজবৰুৱাই কবিতাটিত কৈছে —

গা বীণ! গা,<br>
অমৃত-সংগীত,<br>
    শুকানে মেলক কুঁহি,<br>
প্ৰবাস-ভাগৰ<br>
আঁতৰি পলাওক,<br>
    মুখত ওলাওক হাঁহি।

আকৌ—

নতুন প্ৰাণৰ<br>
ন চকুযুৰি,

৩১। অৰুণা দেৱী গোস্বামী, *অসমীয়া কবিতাত জাতীয় চিন্তা*, পৃ. ১১

দীপিতি ঢালি দে তাত,
পুৰণি পৃথিৱী
নকৈ চাই লওঁ,
হে বীণ! এযাৰি মাত।[৩২]

বেজবৰুৱাৰ 'অসম সংগীত' কবিতাটোত কবিৰ দেশবাসীৰ প্ৰতি উদাত্ত আহ্বান ধ্বনিত হৈছে আৰু এক সঞ্জীৱনী শক্তিৰূপে বিৰাজ কৰি আছে। অসমৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰা বেজবৰুৱাই ডবা, শংখ, মৃদং, খোলৰ মংগলধ্বনিৰে ভৱিষ্যতৰ জয়জয়কাৰ অসমৰ সপোন দেখিছে।

বাজক ডবা, বাজক শঙ্খ,
বাজক মৃদং খোল
অসম আকৌ উন্নতিৰ পথত
'জয় আই অসম' বোল।

ইমানতেই বেজবৰুৱা ক্ষান্ত থকা নাই। বেজবৰুৱাৰ সৰল, অকপট আৰু সুগভীৰ স্বদেশানুৰাগ প্ৰকাশ পাইছে জন্মভূমিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদনত। কবিয়ে প্ৰকাশ কৰিছে এনেদৰে —

এনেখনি দেশ ক'তো নোপোৱা বিচাৰি,
নিশ্চয় নিশ্চয় মই কওঁ আটাহ পাৰি,
হে'ৰা মোৰ জন্মভূমি।[৩৩]

---

৩২। *লক্ষ্মীনাথ বেজবৰুৱা, বীণ বৰাগী, অ' মোৰ আপোনাৰ দেশ বেজবৰুৱা সমগ্ৰ,* সম্পা., সত্যকাম বৰঠাকুৰ আৰু অন্যান্য, পৃ. ৬১

৩৩। *লক্ষ্মীনাথ বেজবৰুৱা, আমাৰ জন্মভূমি, অ' মোৰ আপোনাৰ দেশ, বেজবৰুৱা সমগ্ৰ,* সম্পা., সত্যকাম বৰঠাকুৰ আৰু অন্যান্য, পৃ. ২০-২১

‘চেতনা’ আলোচনীৰ যোগেদি জাতীয়তাবাদী চেতনা জাগৃত কৰা অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাই ভাৰতীয় চেতনা আৰু আঞ্চলিক চেতনাৰে সিক্ত হৈ স্বদেশপ্ৰেমৰ বহ্নিশিখা বহন কৰিছে। স্বদেশানুৰাগ হৈছে ৰায়চৌধুৰীৰ জীৱন দৰ্শন আৰু ব্যক্তিত্বৰ সৰ্বোৎকৃষ্ট পৰিচয়। সমাজ সংস্কাৰমূলক ধ্বনিয়ে ৰায়চৌধুৰীৰ স্বদেশপ্ৰেমক অসমীয়া কাব্যত গভীৰ আৰু তীব্ৰ ৰূপত প্ৰতিষ্ঠা কৰিছে। স্বদেশপ্ৰেম ৰায়চৌধুৰীৰ জীৱনৰ ব্ৰত। ডেকা শক্তিক উদ্দেশ্যি মুক্তিকামী ডেকা শক্তিৰ প্ৰেমত দুৰ্বাৰ সাহস, সুদৃঢ় আত্মবিশ্বাস আৰু বাধা অতিক্ৰম কৰিব পৰা প্ৰেৰণাৰে কবিয়ে তেওঁৰ ‘জাগ ডেকা তেজ জাগ’ত কৈছে —

জাগ ডেকা তেজ জাগ আজি জাগ,
আগ্নেয়গিৰি উগাৰি জাগ।
এলাহৰ গাথি ভাঙি গুৰি কৰি
কৰ্মধাৰাৰে ধৰণী ঢাক।।

আকৌ স্বদেশৰ প্ৰতি অনুৰাগ নথকা তথা এলেহুৱা জীৱন অৰ্থহীন বুলি কবিয়ে তেওঁৰ ‘জীৱনৰ উদ্দেশ্য’ত বৰ্ণনা কৰিছে —

যি জীৱনত দেশসেৱনত
আত্মাহুতিৰ অনল শিখা নাই,
সেই জীৱনত নাই অবাবত
প্ৰয়োজনৰ উচ্চ দাবি ভাই।

‘এইটো নহয় হাঁহি তামাচাৰ ভাগৰ জুৰোৱা গান’ বুলি জীৱনক গ্ৰহণ কৰা ৰায়চৌধুৰীয়ে বন্দিনী ভাৰতৰ কালিমা নাশ কৰিবলৈ সৰ্বস্তৰতে ভাৰতবাসীৰ অন্তৰত স্বজাতি ৰক্ষাৰ জাগ্ৰত ৰূপ কামনা কৰিছে। তাৰ প্ৰকাশ ঘটিছে ‘মই বিপ্লৱী মই তাণ্ডৱী’, ‘গঢ়া কৰি মোক ঝাডুদাৰ’ আদি কবিতাত। অম্বিকাগিৰী ৰায়চৌধুৰীৰ মানত দেশেই ধৰ্ম, দেশেই কৰ্ম, দেশেই ভগৱান আৰু দেশেই সকলো।

প্ৰাক্ ৰোমাণ্টিক তথা জোনাকী যুগৰো অন্যতম কবি কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাৰ ঘাই বিষয়বস্তু আছিল স্বদেশপ্ৰেম। ভট্টাচাৰ্যৰ কবিতাত পোৱা যায় পৰাধীনতাৰ গ্লানি, জাতীয় অধঃপতনৰ ছবি আৰু আক্ষেপ, জনজাগৰণৰ আহ্বান, ক্ৰোধ আৰু ক্ষোভ ইত্যাদি। 'পাহৰণি', 'জাতীয় গৌৰৱ', 'একুৰা জুই' আদি কবিতাই তাৰ সুন্দৰ স্বাক্ষৰ বহন কৰিছে। 'কবিতাবোৰ কমলাকান্তৰ স্বদেশপ্ৰীতিৰ অগ্নিস্ফুলিঙ্গ। ... স্বদেশ প্ৰেমৰ ব্ৰজনিৰ্ঘোষ কবিতাৰ প্ৰতি ছত্ৰত অনুৰণিত হৈছে।' [৩৪]

শৈলধৰ ৰাজখোৱাৰ 'বৰপেটা', 'পাষাণ প্ৰতিমা' আদি কবিতাই স্বদেশপ্ৰেমৰ উজ্জ্বল স্বাক্ষৰ বহন কৰিছে। 'ব্ৰহ্মপুত্ৰৰ প্ৰতি' কবিতাৰে স্বদেশপ্ৰেমৰ স্বাক্ষৰ ৰাখি থৈ যোৱা লক্ষ্মীনাথ ফুকনেও কবিতাৰ জৰিয়তে জাতীয়প্ৰেম জাগ্ৰত হোৱাত অৰিহণা আগবঢ়াই গৈছে।

'জনমভূমি'ৰ দৰে কবিতা ৰচনা কৰা নলিনীবালা দেৱীৰ কবিতাৰ অন্যতম এটি বৈশিষ্ট্য হ'ল স্বদেশপ্ৰেম। কবিতাটিত জন্মভূমিৰ প্ৰতিটো বস্তুৰ প্ৰতি কবিৰ গভীৰ অনুৰাগ উথলি উঠিছে। জন্মভূমিক কবিয়ে একোখনি তীৰ্থ, পুণ্যৰ আশ্ৰম বুলি সম্বোধন কৰিছে আৰু সেই জন্মভূমিৰ লগত কবিয়ে পুনঃ পুনঃ সম্বন্ধ স্থাপন কৰিব বিচৰাৰ জৰিয়তে স্বদেশপ্ৰেমৰ গভীৰতা উপলব্ধি কৰিব পাৰি। জন্মভূমিৰ প্ৰতি গভীৰ কৃতজ্ঞতা আৰু ভালপোৱাৰ আকুল সুৰ কবিতাটিত ধ্বনিত হৈছে এনেদৰে —

অ' মোৰ চেনেহী দেশ তোমাৰ দুঃখীয়া পঁজা  
ৰচা তাত শান্তিৰ সৰগ,  
ক'ত পাম এনে প্ৰীতি সৰল প্ৰাণৰ ভাষা  
সেৱাৰ মহিমাময় ত্যাগ? [৩৫]

ঠিক তেনেদৰে দেশভক্ত তৰুণৰাম ফুকনৰ বিয়োগত নলিনীবালা দেৱীয়ে ৰচনা কৰা

৩৪। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ.৩১৩  
৩৫। নলিনীবালা দেৱী, 'জন্মভূমি', *শতপত্ৰ*, সম্পা. যজ্ঞেশ্বৰ শৰ্মা, পৃ. ৪৪

'যুগদেৱতা'[৩৬] কবিতাটিও স্বদেশানুৰাগেৰে ৰঞ্জিত।

দেশপ্ৰেমৰ প্ৰবল অনুৰাগেৰে ৰঞ্জিত হৈ হিতেশ্বৰ বৰবৰুৱাই জাতিক উদ্বুদ্ধ কৰিবৰ বাবে ৰচনা কৰা কাব্যসমূহ হ'ল — 'কমতাপুৰ ধ্বংস,' 'তিৰোতাৰ আত্মদান' আৰু 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী'। 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী' কাব্যত স্বদেশপ্ৰীতি তথা স্বদেশ ৰক্ষাৰ অৰ্থে কৰা আত্মোৎসৰ্গ নিদৰ্শন অতি উচ্চ। এনে উচ্চ স্বদেশানুৰাগে যুগে যুগে জাতিক স্বদেশপ্ৰেমত আপ্লুত কৰি দেশসেৱাৰ অনল শিখা প্ৰজ্জ্বলিত কৰি আহিছে।

স্বদেশৰ স্বাধীনতা, তাৰ অৰ্থে যিটে
জীৱন উৎসৰ্গ কৰি, মৰে সমৰত, —
মৃত্যু তাৰ হয় শান্তি, মহানিদ্ৰা তাৰ
অনন্ত বিশ্ৰাম মাথোঁ, বিশ্বজননীৰ [৩৭]

'অসম গৌৰৱ'ৰ কবি পদ্মধৰ চলিহাৰ 'ৰংপুৰে কথা কয়' কবিতাপুথিৰ কবিতাবিলাকত কবিৰ স্বদেশপ্ৰেম সুন্দৰ ৰূপত ফুটি উঠিছে। ইংৰাজ কবি ৱাল্টাৰ স্কটে দেশপ্ৰেমৰ সম্পৰ্কে যি চিৰন্তন কথা তেওঁৰ 'Patriotism' কবিতাত ব্যক্ত কৰিছে ঠিক সেই একেই আন্তৰিক স্বদেশানুৰাগৰ পৰিচয় পোৱা যায় চলিহাৰ অনুদিত কবিতা 'স্বদেশপ্ৰেম'ত। 'Patriotism' কবিতাৰ সৰল অনুবাদ চলিহাৰ 'স্বদেশপ্ৰেম' কবিতাটি। অনুবাদৰ যোগেদিও অসমীয়া কাব্য সাহিত্যত স্বদেশপ্ৰেম উজ্জীৱিত হৈ উঠাৰ এক সুন্দৰ দৃষ্টান্ত হ'ল চলিহাৰ 'স্বদেশপ্ৰেম' কবিতাটি।

ধৰে নে জনম কেৱেঁ এই মৰতত / শিলাময় কৰি তাৰ হিয়া,
"এয়ে মোৰ জন্মভূমি" বুলি মনে মনে / এবাৰো যে কোৱা নাইকিয়া?

---

৩৬। অতুলচন্দ্ৰ হাজৰিকা (সম্পা.), *দেশভক্ত ফুকন স্মৃতিমাল্য ঃ শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য*, পৃ. ৭-৮

৩৭। *হিতেশ্বৰ বৰবৰুৱা, যুদ্ধক্ষেত্ৰত আহোম ৰমণী*, চতুৰ্থ সৰ্গ, *হিতেশ্বৰ বৰবৰুৱা ৰচনাৱলী, দিলীপ কুমাৰ দত্ত (প্ৰ.),* পৃ.১০২

আনৰ দেশৰ পৰা উলটি আহোঁতে / ফুৰি চাকি ঘৰমুৱা হৈ,

জ্বলা নাই হিয়া যাৰ স্বদেশ প্ৰেমেৰে, /আছে নে কোনোৱা এনে অই![৩৮]

স্বদেশপ্ৰেমহীনজনক কবিয়ে কাঠ-চিতীয়া বুলিবলৈও কুণ্ঠাবোধ কৰা নাই। পৃথিৱীৰ ভিতৰতে তীৰ্থ, নদ-নদী, সৰোবৰ, মঠ-মন্দিৰে ভৰপুৰ এখনি শুৱনি ধৰা কবিৰ এই জনমভমি। য'ত নানা জাতি, জনজাতি বুকুত সাৱটি অমিয়া ভাষাৰে পৰাণ আকুল কৰে। জন্মভূমিৰ চেনেহ নিৰ্মালি বিচাৰি, হিংসা, স্বাৰ্থ, বলিদানেৰে জাতীয় যজ্ঞৰ আয়োজন কৰি হিয়াৰ অৰ্ঘ্য কবিয়ে আগবঢ়াইছে এনেদৰে —

আনিছো জননী হিয়াৰ অৰ্ঘ্য তোমাক পূজিম বুলি;

দিয়া দিয়া আই চেনেহ-নিৰ্মালি,

হিংসা স্বাৰ্থ দিম আজি বলি,

পাতিছে হেঁপাহে জাতীয় যজ্ঞ ভাই-ভনী মিলি জুলি।[৩৯]

'চিৰ চেনেহী মোৰ ভাষা জননী'ৰ কবি মিত্ৰদেৱ মহন্তই সুকোমল সুৰদী ভাষাৰে স্বদেশপ্ৰেমৰ অন্য ৰূপ প্ৰকাশ কৰিছে—

জীৱনে-মৰণে-ৰণে লহৰী সুধাৰ

ৰসনা শিতানে বহি সিঁচা শত ধাৰ

হে মোৰ মধুৰাননা

মাগিছোঁ মাধুৰি-কণা,

দিয়াঁ, দিয়াঁ, দিয়াঁ আই, মধুভাষিণী।।[৪০]

---

৩৮। পদ্মধৰ চলিহা, স্বদেশপ্ৰেম, *শতপত্ৰ*, সম্পা., যজ্ঞেশ্বৰ শৰ্মা,পৃ. ৪৪

৩৯। পদ্মধৰ চলিহা, অসম গৌৰৱ, *কুৰি শতিকাৰ অসমীয়া কবিতা,* সম্পা., নীলমণি ফুকন, পৃ. ১১১

৪০। মিত্ৰদেৱ মহন্ত, চিৰ চেনেহী মোৰ ভাষা জননী, *কুৰি শতিকাৰ অসমীয়া কবিতা*, সম্পা. নীলমণি ফুকন. পৃ. ১০৯

উমেশ চন্দ্ৰ চৌধুৰীৰ কবিতাত দেখা পোৱা মাতৃভূমি আৰু মাতৃভাষাৰ বন্দনাই কবিৰ সুগভীৰ স্বদেশানুৰাগ প্ৰকাশ কৰিছে। কবিয়ে মাতৃভাষাক চেনেহী, বুকুৰ ৰাণী বোলাৰ উপৰিও দেশমাতৃক প্ৰেমধাৰা মন্দাকিনী বুলিছে।

চেনেহী মোৰ মাতৃভাষা।
তুমি যে মোৰ বুকুৰ ৰাণী।
তুমি মোৰ লীলাময়ী
তুমি মধু স্বপ্ন-ৰাণী
... ... ... ...
কিদৰে আই পূজোঁ, সম্বল মাথোঁ
জীৰ্ণ বীণা;
তুমি যে মোৰ সুৰময়ী প্ৰেমধাৰা
মন্দাকিনী।[৪১]

ৰঘুনাথ চৌধুৰীয়ে 'আই' কবিতাটিত স্বদেশক তুলনাবিহীন, চিৰ কাম্যৰ ঠাই বুলি প্ৰশস্তি কৰি স্বদেশপ্ৰেমক প্ৰকট কৰি তুলিছে।

ৰূপত জননী তই নিৰূপমা
গুণতো তোৰ তুলনা নাই।
স্বৰ্গ বিচাৰি নেযাওঁ জননী;
আৰু যে স্বৰ্গ নাই;

৪১। উমেশ চন্দ্ৰ চৌধুৰী, মাতৃভাষা, *শতপত্ৰ*, সম্পা. যজ্ঞেশ্বৰ শৰ্মা, পৃ. ৪০-৪১

তয়েই আমাৰ চিৰ সাধনাৰ

চৰম লক্ষ্য ঠাই।[৪২]

'আই মোৰ অসম' কবিতাৰ কবি তৰুণৰাম ফুকনৰ স্বদেশপ্ৰেমৰ উৎস হ'ল ঐতিহ্যপূৰ্ণ অসম দেশৰ দূৰৱস্থা। নিচলা দুখুনী হ'লেও কবিৰ নিজ দেশ অসম অতি প্ৰিয়। তৰুণৰাম ফুকনৰ দেশপ্ৰেম সকলো বিবাদৰ ওপৰত। ফুকনৰ দেশপ্ৰেম সকলোৰে কাৰণে অনুকৰণীয়।

'মোৰ গাঁও' কবিতাৰ ৰচক ডিম্বেশ্বৰ নেওগে নিজ গাঁওখনিক 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ' বুলিছে। নেওগৰ 'শাপমুক্তা', 'বুৰঞ্জীলেখক', 'শেষ গায়ক', 'অসম সন্ধিয়া' আদি বহুতো কবিতা স্বদেশপ্ৰেমৰ সুন্দৰ নিদৰ্শন। এই কবিতাসমূহত অতীত অসমৰ শৌৰ্য-বীৰ্যৰ কথা আৰু পৰাধীন অসমৰ বিষাদৰ সুৰ শুনিবলৈ পোৱা যায়।

প্ৰসন্নলাল চৌধুৰীৰ কবিতাত আছে পৰাধীন জাতিৰ চৈতন্য জাগ্ৰত কৰাৰ আহ্বান। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা স্বদেশপ্ৰেমৰ অমল উৎস। তেওঁ ৰচনাৰ মূল সুৰটিয়েই হৈছে স্বদেশপ্ৰেম। 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা,' 'কনকলতা', 'লাচিত বৰফুকন', 'অসমীয়া ডেকাৰ উক্তি', 'অসমীয়া ছোৱালীৰ উক্তি', 'জ্যোতি শঙ্খ' ইত্যাদি কবিতাত প্ৰকাশ পোৱা স্বদেশপ্ৰেমে জাতীয় জীৱন চহকী কৰি থৈ গৈছে। 'জননীৰ সন্তান জাগা, জাগা মাতৃ প্ৰাণ' বুলি পৰাধীন ভাৰতৰ জনগণক একক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰাৰ আহ্বান ধ্বনিত হৈ আছে জ্যোতিপ্ৰসাদৰ কবিতাত।

ৰত্নকান্ত বৰকাকতিৰ 'ভাৰতবৰ্ষ', পাৰ্বতি প্ৰসাদ বৰুৱাৰ 'ৰণ আহ্বান', 'জয় জয় আই মোৰ অসমৰ জয়' আদি কবিতা আৰু অতুলচন্দ্ৰ হাজৰিকাৰ 'জয়তু জননী' কবিতা, দেৱকান্ত বৰুৱাৰ 'লাচিত ফুকন', 'মোৰ দেশ মানুহৰ দেশ' আদি স্বদেশপ্ৰেমমূলক কবিতাই অসমীয়া কাব্য জগতত স্বদেশপ্ৰেমৰ ধাৰাটি বলিষ্ঠভাৱে প্ৰবাহিত হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অন্যহাতে 'ৰোমাণ্টিক বিস্তাৰ স্তৰৰ'[৪৩] কবিসকলৰ অন্যতম বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ ঘাই চালিকা শক্তিয়েই আছিল স্বদেশপ্ৰেম।

৪২। ৰঘুনাথ চৌধুৰী, আই, *শতপত্ৰ*, সম্পা. যজ্ঞেশ্বৰ শৰ্মা, পৃ. ৪৫-৪৬

৪৩। কৰবী ডেকা হাজৰিকা, *অসমীয়া কবি আৰু কবিতা*, পৃ. ৬৯

কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ সন্দৰ্ভত গৱেষণা গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত বিশদ আলোচনা আগবঢ়োৱা হৈছে।

**১.৪.২ গীত ঃ**

স্বদেশপ্ৰেমমূলক অসমীয়া গীতৰ ইতিহাস আলোচনা কৰিলে কেইজনমান প্ৰখ্যাত গীতিকাৰৰ সাক্ষাৎ পোৱা যায়। তাৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মধৰ চলিহা, উমেশচন্দ্ৰ চৌধুৰী, নবীনচন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, প্ৰসন্নলাল চৌধুৰী, পাৰ্বতিপ্ৰসাদ বৰুৱা ইত্যাদি উল্লেখযোগ্য।

কবিতাৰ দৰে গীত ৰচনাৰ জৰিয়তেও অসমীয়া সাহিত্যত স্বদেশপ্ৰেমৰ ধাৰাটিৰ বিকাশ ঘটিছিল। বঙলা গীতৰ প্ৰচলনৰ ঠাইত স্বদেশী গীতৰ প্ৰচলন আৰু জাতীয় চৈতন্য জাগ্ৰত কৰি দেশবাসীক স্বদেশপ্ৰেমৰ মন্ত্ৰত দীক্ষিত কৰাত এই জাতীয় গীতৰ ভূমিকা আছিল অনন্য। স্বদেশক লৈ বা স্বদেশৰ স্বাধীনতা আন্দোলনক লৈ লিখা গীতবিলাকে দেশবাসীৰ মনত স্বদেশপ্ৰেম আৰু পৰাধীনতাৰ পৰা মুক্তিৰ কামনা জাগ্ৰত কৰিব পাৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসম সঙ্গীত', 'আমাৰ জন্মভূমি', 'আমি নহওঁ পৰাধীন', 'প্ৰেম প্ৰেম বুলি' আদি গীত  বেজবৰুৱাৰ জাগ্ৰত স্বদেশপ্ৰেমৰ সুন্দৰ নিদৰ্শন। অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ 'অ' মোৰ আপোনাৰ দেশ'ত 'চাই লওঁ এবাৰ মুখনি তোমাৰ হেপাঁহ মোৰ পলোৱা নাই' উক্তিৰে বেজবৰুৱাই প্ৰকাশ কৰা স্বদেশপ্ৰেম অত্যন্ত গভীৰ।

পদ্মধৰ চলিহাৰ 'ভাৰতবৰ্ষ আমাৰ গৰ্ব, আমাৰ মান', উমেশচন্দ্ৰ চৌধুৰীৰ 'পুৰুষ সিংহ ন জোৱান', 'তোল পতাকা তোল' আদি জাতীয় ভাৱাপন্ন গীতবিলাকে ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতি দেশবাসীক উদ্বেলিত কৰিছিল আৰু আজিও তাৰ প্ৰভাৱ অসীম।

স্বাধীনতা আন্দোলনৰ সময়ত দেশবাসীৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত কৰাত নবীনচন্দ্ৰ বৰদলৈৰ গীত — 'কোন ক'ত আছ', 'আমাৰ বিষম পণ', 'শ্যাম সেউজীয়া', 'অসম আই ধুনীয়া ভাৰতৰ নুমলী জী' ৰ ভূমিকা অনন্য। "যাৰ আছে সোণ, যাৰ আছে/ৰূপ আঁজলি ভৰাই আন" বুলি 'কোন ক'ত আছ' গীতত যেনেদৰে জনতাক দেশমাতৃৰ পূজাৰ বাবে কৰা প্ৰাণৰ আহ্বান আছে, ঠিক তেনেদৰে অশেষ যাতনা ভুগি হ'লেও দেশমাতৃৰ জয়ৰ পণ ৰখাৰ ধ্বনি আকাশে-বতাহে বিয়পি যোৱাৰ কামনা কৰিছে

'আমাৰ বিষম পণ' গীতত।

দেশভক্ত তৰুণৰাম ফুকনৰ 'আই মোৰ আসাম' নিছলা, দুখুনী হ'লেও নিজৰ অতি আপোন এই দেশ 'অসম'। ঐতিহ্যপূৰ্ণ অসমৰ দুৰৱস্থাই তেওঁৰ স্বদেশপ্ৰেমৰ উৎস। ঠিক সেইদৰে নলিনীবালা দেৱীৰ 'জাগা বীৰ পিতা বীৰৰ জননী', 'লোৱা বীৰ মাতৃ-প্ৰাণৰ মন্দাৰ মালা', 'মাতৃৰ কৰচে সজ্জিত আমি' আদি গীত উল্লেখযোগ্য। অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'আজি বন্দো কি ছন্দেৰে', 'ধৰ ঝাডু ধৰ ভাই', 'জাগ জাগ জাগ ভাৰত সন্তান' আদি গীতে দেশমাতৃৰ পূজাৰ আহ্বান ধ্বনিত কৰিছে আৰু চৈতন্যহীন ভাৰতমাতাৰ সন্তানৰ অন্তৰত জাগ্ৰত স্বদেশানুৰাগ সঞ্চাৰ কৰিবলৈ যত্ন কৰিছে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ 'অ' অসমীয়া ডেকা দল', 'আই মোৰ ভাৰত জননী', জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা', 'কোন কোন আহিছ আইক পুজিবলৈ', 'জাগা জননীৰ সন্তান জাগা', 'বিশ্ববিজয়ী নৱজোৱান', 'সাজু হ সাজু হ ন-জোৱান' আদি গীতত স্বদেশপ্ৰেমৰ উদগ্ৰ আহ্বান তীব্ৰ ৰূপত লক্ষ্য কৰা যায়। ৰূপান্তৰেৰে জগত ধুনীয়া কৰিব বিচৰা জ্যোতিপ্ৰসাদে তেওঁৰ গীতৰ জৰিয়তে স্বদেশ ৰক্ষাৰ ৰণ আহ্বানৰ দুৰ্মদ ধ্বনি ডেকা শক্তিৰ প্ৰাণত ঢালি দিছে।

প্ৰসন্নলাল চৌধুৰীৰ 'শিকলি মুকলি হ'ল,' পাৰ্বতি প্ৰসাদ বৰুৱাৰ 'নোবোলোঁ তোক সোণৰ অসম', 'পুজো আহা আই মাতৃ' আদি প্ৰাণৰ আবেদনেৰে আলোড়ন সৃষ্টিকাৰী গীতবিলাকে প্ৰবল স্বদেশপ্ৰেমৰ চেতনা সঞ্চাৰ কৰি জাতিক জাগ্ৰত কৰি আহিছে। এনে সংগীতে কণ্ঠুৱাজনৰ প্ৰাণতো সুৰৰ লহৰ তুলি দেশমাতৃৰ সেৱাত প্ৰবৃত্ত কৰোৱাৰ উৎকৃষ্ট নিদৰ্শন এই গীতবিলাকত সন্নিৱিষ্ট হৈ আছে। দুঃখিত আতুৰ প্ৰাণা গীতিকাৰে বুকুৰ তেজৰ অৰ্ঘ ঢালি আত্মবলিদানেৰে দেশমাতৃৰ চৰণ ধুৱাবলৈ কৰা হাবিয়াস অতি উচ্চ স্তৰৰ স্বদেশপ্ৰেমৰ নিদৰ্শন। পৰাধীনতাৰ শিকলি ছিঙি দেশমাতৃক জয়ৰ মালা পিন্ধাবলৈ নৱ প্ৰজন্মৰ বুকুত সাহ যোগাই মাতৃপূজাত আহুতি দিবলৈ উদ্বুদ্ধ কৰোৱাত এই গীতবিলাকৰ ভূমিকা যুগজয়ী। অন্যান্য গীতিকাৰৰ গীততো এই ভাৱধাৰা বিস্তাৰিত হৈ আছে।

ইয়াৰ উপৰিও স্বাধীনতা সংগ্ৰামীসকলে সততে গাই থকা এনে কিছুমান গীত আছে যাৰ ৰচয়িতাৰ নাম জনা নাযায়। এনে 'অখ্যাত গীতিকাৰ'ৰ গীতৰ জৰিয়তে অসমৰ চুকে-কোণে সাধাৰণ জনতাৰ প্ৰাণতো স্বদেশপ্ৰেমৰ জোঁৱাৰ আহিছিল। 'ব'ল ব'ল ব'ল অ' ব'ল, মুক্তি যুঁজৰ সৈনিক আমি, ভাৰত আমাৰ

জননী, আমাৰ মহাত্মা গান্ধীয়ে আন্দোলন চলালে’[৪৪] ইত্যাদি অখ্যাত গীতিকাৰৰ গীতবিলাকে ভাৰতৰ স্বাধীনতা আন্দোলনত ৰাইজৰ মুখে মুখে প্ৰচলিত হৈ স্বদেশপ্ৰেমেৰে সকলোৰে প্ৰাণ উজ্জীৱিত কৰি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অসমীয়া গীতৰ ইতিহাসত স্বদেশপ্ৰেম জাগ্ৰত কৰা গীতৰ ভূমিকা আলোচনাত এই গীতবিলাকৰ মূল্য অসীম।

### ১.৪.৩ নাটক ঃ

স্বদেশপ্ৰেমমূলক ভাৱধাৰা যি বিশিষ্ট ৰূপত অসমীয়া সাহিত্যৰ কবিতা আৰু গীতৰ মাজত প্ৰকাশিত হৈছিল সেই একেই ভাৱধাৰাৰে নাটকৰ কাহিনী আৰু চৰিত্ৰৰাজিৰ মাজেৰেও প্ৰতিফলিত হোৱা দেখা যায়। এইক্ষেত্ৰত ঐতিহাসিক নাটকৰ প্ৰভাৱ অতি গভীৰ। নাট্যকাৰসকলে স্বদেশপ্ৰেমৰ মন্ত্ৰেৰে আপ্লুত হৈ অতীতৰ বুৰঞ্জীৰ বুকুৰ পৰা নাটকৰ সমল আহৰণ কৰিছিল।

ঐতিহাসিক নাটকৰ মূল উদ্দেশ্য প্ৰাচীন ঐতিহ্য উদ্ধাৰ আৰু অতীতৰ গৌৰৱময় অধ্যায়ৰ কথা সোঁৱৰাই দেশবাসীক স্বদেশপ্ৰেমত উদ্বুদ্ধ কৰোৱাৰ। জাতীয়তাবাদ আৰু স্বদেশপ্ৰেমক আধাৰ কৰি কুৰি শতিকাৰ আৰম্ভণিতে অসমীয়া নাট্যকাৰেও অতীতৰ বুৰঞ্জীৰ বুকুৰ পৰা নাটক ৰচনাৰ সমল আহৰণ কৰিলে। ১৯০০ চনত পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত অসমীয়া বুৰঞ্জীমূলক নাটকৰ শুভাৰম্ভ হয়।[৪৫] বুৰঞ্জীমূলক নাটক ৰচনাৰে অসমীয়া মানুহৰ সুপ্ত জাতীয় চেতনাক পুনৰ জাগ্ৰত কৰাৰ প্ৰথম প্ৰয়াস পদ্মনাথ গোহাঞিবৰুৱাৰ ‘জয়মতী’ (১৯০০) নাটকত পোনপ্ৰথমে দেখিবলৈ পোৱা যায়।

জয়মতী (১৯০০) নাটকৰ উপৰিও গোহাঞিবৰুৱাৰ গদাধৰ (১৯০৭), সাধনী(১৯১১), লাচিত বৰফুকন (১৯১৫)। এই কেউখন নাটকৰ চালিকাশক্তি স্বদেশপ্ৰেম। ‘লাচিত বৰফুকন’ নাটকত লাচিত বৰফুকনৰ চৰিত্ৰটো দেশপ্ৰেমৰ জলন্ত প্ৰতীক। পদ্মনাথ গোহাঞিবৰুৱাই ‘আত্মলেখা’ত অসম বুৰঞ্জীৰ অসাধাৰণ বীৰ চৰিত্ৰ লাচিত বৰফুকনৰ বীৰত্ব, দেশপ্ৰেম, দেশ উদ্ধাৰৰ বাবে স্বাধীনতা আন্দোলনৰ

---

৪৪। কেশৰ মহন্ত (সং.), *স্বাধীনতা আন্দোলনৰ গীত*, পৃ. ৫৬-৬৪

৪৫। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া নাট্য সাহিত্য*, পৃ. ১৭২-১৭৩

সময়ত অতি প্ৰয়োজনীয় বুলি উপলব্ধি কৰাৰ কথা ব্যক্ত কৰিছে। কেৱল সেয়ে নহয়, যুগে যুগে লাচিত বৰফুকনৰ বীৰত্ব, দেশপ্ৰেমে দেশবাসীক স্বদেশপ্ৰেমত উদ্বেলিত কৰি আহিছে।

পদ্মনাথ গোহাঞিবৰুৱাৰ দৰে লক্ষ্মীনাথ বেজবৰুৱাৰো ঐতিহাসিক নাটক ৰচনাৰ মূল অনুপ্ৰেৰণা 'স্বদেশপ্ৰেম'। 'জয়মতী কুঁৱৰী' (১৯১৫) নাটকত জয়মতী কুঁৱৰীয়ে স্বদেশৰ বাবে কৰা ত্যাগ, 'চক্ৰধ্বজ সিংহ'(১৯১৫) নাটক শৰাইঘাটৰ ৰণত অসমৰ জয়ৰ এক গৌৰৱময় অধ্যায়। 'বেলিমাৰ' (১৯১৫) নাটকত আহোম শাসনৰ অৱনতি আৰু শাসনৰ বেলি মাৰ যোৱাৰ কাহিনীক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা এই নাটে অসমীয়াৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত কৰিছিল। অসমীয়া নাট্য সাহিত্যক চহকী কৰা এই নাটকসমূহে অসমীয়া নাট্য সাহিত্যক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছিল। পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱাৰ বুৰঞ্জীমূলক নাটকৰ আৰ্হিৰে অনুপ্ৰাণিত হৈ পৰৱৰ্তী সময়ত স্বদেশপ্ৰেম জাগ্ৰত কৰিবৰ বাবে ৰাধাকান্ত সন্দিকৈয়ে স্বদেশ আৰু স্বজাতিৰ বাবে আত্মবলিদান দিয়া মূলাগাভৰুৰ স্বদেশপ্ৰেমক দেশবাসীৰ আগত দাঙি ধৰি স্বদেশপ্ৰেমৰ সোঁত বোৱাইছিল তেওঁৰ 'মূলাগাভৰু'(১৯২৪) নাটকৰ জৰিয়তে। নকুলচন্দ্ৰ ভূঞাৰ 'বদন বৰফুকন' (১৯২৭), 'চন্দ্ৰকান্ত সিংহ'(১৯৩১) নাটকৰ জৰিয়তে দেশদ্ৰোহীৰ পৰিণাম, চন্দ্ৰকান্তৰ দেশপ্ৰেমৰ আৰ্হিৰে স্বদেশপ্ৰেম আৰু স্বাধীনতাৰ বাণীৰে জনগণত উদ্বুদ্ধ কৰাৰ চেষ্টা সুন্দৰ ৰূপে প্ৰতিফলিত হৈছে। নাটকখনতি ৰূপসিং চুবেদাৰৰ যোগেদি ক্ষুদ্ৰ স্বাৰ্থত দেশৰ স্বাৰ্থ বলি দিলে তাৰ পৰিণাম কিমান ভয়াবহ হ'ব পাৰে সেই কথা সুন্দৰভাৱে প্ৰকাশ কৰিছে। 'স্বৰ্গাদপি গৰীয়সী', 'জননী জন্মভূমিক ধ্বংস নকৰিবি' বোলা লুকু ডেকা ফুকনৰ এই উক্তি স্বদেশপ্ৰেমৰ জলন্ত দৃষ্টান্ত। ভূঞাৰ 'বিদ্ৰোহী মৰাণ' নাটকত দেশৰ বাবে 'দেশৰ সন্তান মাত্ৰেই নিজৰ প্ৰাণ একাতৰে উচৰ্গিব জানে' বুলি কৰা উক্তিৰে দেশৰ সন্তানসকলক স্বদেশপ্ৰেমত উদ্বুদ্ধ কৰিছে।

শৈলধৰ ৰাজখোৱাৰ 'স্বৰ্গদেউ প্ৰতাপ সিংহ'(১৯২৬), অতুলচন্দ্ৰ হাজৰিকাৰ 'কনৌজ কুঁৱৰী'(১৯৪৭), 'ছত্ৰপতি শিৱাজী'(১৯৪৭), টিকেন্দ্ৰজিৎ (১৯৫৮), কমলানন্দ ভট্টাচাৰ্যৰ 'নগাকোঁৱৰ'(১৯৩৫) আৰু দণ্ডীনাথ কলিতাৰ 'সতীৰ তেজ' (১৯৩১), প্ৰসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ' (১৯৩৩), আনন্দ চন্দ্ৰ বৰুৱাৰ 'কমতা কুঁৱৰী' (১৯৪০) আদি ঐতিহাসিক নাটকৰ জৰিয়তে অসমীয়াৰ প্ৰাণত স্বদেশপ্ৰেমৰ ভাৱ সুতীব্ৰ আৰু ক্ৰিয়াশীল ৰূপত জগাই তুলিছিল।

বিনন্দ চন্দ্ৰ বৰুৱাৰ 'শৰাইঘাট' (১৯৩৮) নাটকত লাচিত বৰফুকনৰ বীৰত্ব, দেশপ্ৰেম, ত্যাগ

আৰু কৰ্তব্যনিষ্ঠা প্ৰকাশ পাইছে। এই সন্দৰ্ভত তৃতীয় অধ্যায়ত আলোচনা আগবঢ়োৱা হৈছে।

বুৰঞ্জীমূলক নাটকৰ উপৰিও পৌৰাণিক নাটকৰ মাজেৰেও স্বদেশপ্ৰেম প্ৰকাশ পাইছিল। এইক্ষেত্ৰত চন্দ্ৰধৰ বৰুৱাৰ ‘মেঘনাদ বধ’ (১৯০৪) নাটক উল্লেখযোগ্য। নাটকখনিত প্ৰকাশ পোৱা স্বদেশপ্ৰেম আৰু স্বদেশৰ প্ৰতি থকা নিষ্ঠা নাটকৰ চৰিত্ৰ আৰু সংলাপৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ ঘটিছে।

স্বাধীনোত্তৰ কালত নাটক ৰচনাৰ আংগিকগত কলা-কৌশলৰ পৰিৱৰ্তন হ'লেও প্ৰায়বোৰ বুৰঞ্জীমূলক নাটকৰ মাজেৰে স্বদেশপ্ৰেম প্ৰকাশ পোৱা লক্ষ্য কৰা যায়। তাৰ ভিতৰত প্ৰবীণ চন্দ্ৰ ফুকনৰ ‘মণিৰাম দেৱান’ (১৯৪৮) নাটকত অসমক বিদেশী কবলৰ পৰা মুক্ত কৰোৱাৰ প্ৰচেষ্টা নিয়োজিত, মণিৰাম দেৱানৰ দেশপ্ৰেম আৰু আত্মত্যাগৰ গৌৰৱময় ইতিহাস প্ৰতিফলিত হৈছে। জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী এই পৰম সত্যক নাটকখনৰ মুখ্য চৰিত্ৰকে আদি কৰি অন্যান্য চৰিত্ৰৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ ঘটিছে। প্ৰফুল্ল বৰুৱা আৰু নগাঁও নাট্য সমাজৰ দ্বাৰা প্ৰকাশিত ‘পিয়লি ফুকন’(১৯৪৮) নাটকত ৰাজ্যখনৰ পৰা বগা বঙালক খেদি অসমৰ স্বাধীনতা, ঐতিহ্য ঘূৰাই অনাৰ বাবে নিজৰ জীৱন আহুতি দিয়া পিয়লি ফুকনৰ চৰিত্ৰত আছে স্বদেশক ভাল পোৱা আৰু দেশবাসীৰ প্ৰতি অসীম দায়বদ্ধতা। ‘মই মৰিম - মই ভূত হৈ স্বৰ্গদেৱৰ মৈদাম ৰখিম। কিন্তু মই আকৌ আহিম। .. বগা বঙালক নেখেদো মানে মই জনমে জনমে ডিঙিত চিপজৰী ল'ম।’ উক্তিৰে তেৰ বছৰীয়া চাকোলা দেহাৰ পিয়লি ফুকনৰ স্বাধীনতাৰ প্ৰতি থকা আকণ্ঠ স্পৃহা আৰু তেওঁৰ নেতৃত্ব দেশপ্ৰেমৰ উজ্জ্বল চানেকি।

আব্দুল মালিকৰ ‘ৰাজদ্ৰোহী’ (১৯৫৬), সুৰেন্দ্ৰ নাথ শইকীয়াৰ ‘কুশল কোঁৱৰ’ (১৯৪৯) নাটকত দেশমাতৃৰ সেৱাত উৎসৰ্গিত এগৰাকী সংগ্ৰামী নেতাৰ দেশভক্তি প্ৰকাশ পাইছে। ঠিক তেনেদৰে তেখেতৰ ‘গোমধৰ কোঁৱৰ’ নাটকত গোমধৰ কোঁৱৰ চৰিত্ৰৰ জৰিয়তে দেশপ্ৰেমৰ অপূৰ্ব দৃষ্টান্ত ডাঙি ধৰিছে। তাৰ উপৰিও নাটকখনিত হৰনাথ বৰপাত্ৰগোহাঁই, ধনঞ্জয় বৰগোহাঁই, জিউৰাম দুলীয়া বৰুৱা চৰিত্ৰত যিদৰে স্বদেশপ্ৰেম দেখিবলৈ পোৱা যায় ঠিক তেনেদৰে গোমধৰ কোঁৱৰৰ পত্নী ভদ্ৰাৱতীৰ চৰিত্ৰটোও স্বদেশপ্ৰেমৰ উজ্জ্বল দৃষ্টান্ত। ভবেন বৰুৱাৰ ‘কনকলতা’ (১৯৮৯) নাটকত কনকলতাৰ যি ত্যাগ সেই ত্যাগ স্বদেশপ্ৰেমৰ অপূৰ্ব দৃষ্টান্ত। ‘মই বেউলা, কমলাকুঁৱৰী, জয়মতী, মূলাগাভৰু দেশৰ নাৰী’ বুলি গৰ্ব কৰা কনকলতাই ঘোঁৰাত উঠি দেশ ৰক্ষাৰ বাবে যুদ্ধত জঁপিয়াই পৰা আৰু শেষত মৃত্যুক আঁকোৱালি লোৱা কাৰ্য স্বদেশপ্ৰেমৰ বাবেই সম্ভৱ। ‘... এই ত্ৰিৰংগ পতাকা এৰি মই যাব নোৱাৰোঁ। মই

যাম গহপুৰৰ ইংৰাজ কৰলত থকা পুলিচ থানালৈ। তাতেই পতাকা স্থাপন কৰি দেশমাতৃক পূজাৰ অৰ্চনা দিম।... এই সময়ত মোৰ ঘৰ, মোৰ বাই-ভনী, মা-দেউতা, ককাদেউতা কাৰো প্ৰতি মোৰ মায়া মমতা নাই, কেৱল দেশৰ প্ৰতি মায়া আৰু দেশৰ মানুহৰ প্ৰতি মমতা এয়ে মোৰ এতিয়াৰ আদৰ্শ। ৰাইজ! আগবাঢ়ি ব'লক!' কনকলতাৰ এই উক্তিৰে যুগে যুগে নাৰী সমাজক মহিয়ান কৰাৰ লগতে স্বদেশপ্ৰেমৰ অনল শিখা প্ৰজ্বলিত কৰি ৰাখিব। উত্তম বৰুৱাৰ 'কুশল কোঁৱৰ' (১৯৮৪) নাটকত পৰাধীন জাতিৰ হকে প্ৰাণ উৎসৰ্গা কৰা আৰু ফাঁচীকাঠত ওলমি আত্মবলিদান দিয়াৰ যি দৃষ্টান্ত সেয়া স্বদেশপ্ৰেমৰ এক অপূৰ্ব দৃষ্টান্ত। নাটকখনিত সন্নিৱিষ্ট হোৱা জ্যোতিপ্ৰসাদৰ 'সাজু হ ন জোৱান', অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'জাগ ডেকা তেজ, জাগ- আজি জাগ' গীতৰ মাজেৰেও স্বদেশপ্ৰেম প্ৰবলভাৱে প্ৰকট হৈ ওলাইছে।

## ১.৪.৪ অসমীয়া সাহিত্যৰ অন্যান্য দিশত স্বদেশপ্ৰেমৰ প্ৰকাশ ঃ

অসমীয়া সাহিত্যৰ অন্যান্য দিশবিলাকৰ ভিতৰত প্ৰবন্ধ সাহিত্যৰ প্ৰভাৱ অনস্বীকাৰ্য। 'অৰুনোদই' পাততে জন্ম লোৱা প্ৰবন্ধ সাহিত্য 'জোনাকী'ত পৰিপক্কতা লাভ কৰে। স্বদেশপ্ৰেমৰ সুন্দৰ অনুৰণন শুনিবলৈ পাওঁ কমলাকান্ত ভট্টাচাৰ্যৰ 'জাতীয় উন্নতি', 'অসমীয়া উন্নতি', পানীন্দ্ৰনাথ গগৈৰ 'জাতীয় প্ৰেম' প্ৰবন্ধত। দেশাত্মবোধ, জাতীয় চেতনা সুন্দৰকৈ প্ৰকাশ পাইছে হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষা', লম্বোদৰ বৰাৰ 'অসমীয়া ভাষাৰ আখৰ জোঁটনি' শীৰ্ষক প্ৰবন্ধলানিত। লক্ষ্মীনাথ বেজবৰুৱাৰ কৃপাবৰক কেন্দ্ৰ কৰি প্ৰকাশ কৰা প্ৰবন্ধবোৰত হাঁহিৰ ছলেৰে অসমীয়া জাতীয় চৰিত্ৰ সমালোচনা কৰিছে। 'ওভতনি'ত বেজবৰুৱাৰ জাতীয়তাবাদী মনটো অতি স্পষ্টভাৱে প্ৰকাশ ঘটিছে। হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱাৰ ঐতিহাসিক প্ৰবন্ধসমূহ আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'আসাম বান্ধৱ', আৰু 'চেতনা' (১৯১৯) ত প্ৰকাশিত প্ৰবন্ধবিলাকে স্বদেশপ্ৰেমৰ সুন্দৰ দৃষ্টান্ত দাঙি ধৰে।

ঠিক তেনেদৰে উপন্যাস সাহিত্যৰ জৰিয়তেও স্বদেশপ্ৰেমৰ ধাৰাটি প্ৰবাহিত হৈছিল। গোহাঞিবৰুৱাৰ 'ভানুমতী' (১৮৯০-১৮৯১) (মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচিত আৰু আনখন উপন্যাস) 'লাহৰী' (১৮৯২), (মানৰ দিনৰ শেষ কালছোৱাক লৈ ৰচিত।) লক্ষ্মীনাথ বেজবৰুৱাৰ একমাত্ৰ

উপন্যাস 'পদুমকুঁৱৰী' (১৮৯১), (অসম বুৰঞ্জীৰ প্ৰসিদ্ধ দন্দুৱা দ্ৰোহক লৈ ৰচিত) এইক্ষেত্ৰত বাটকটীয়া। পৰৱৰ্তী ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' (১৯০০), 'দন্দুৱা দ্ৰোহ' (১৯০৯), 'ৰঙ্গিলী' (১৯২৫), 'ৰাধা-ৰুক্মিণীৰ ৰণ'(১৯২৫), 'নিৰ্মল ভকত' (১৯২৬) আৰু 'ৰহগৈ লিগিৰী' (১৯৩০) আদি উল্লেখযোগ্য ঐতিহাসিক উপন্যাসৰ মাজেদি স্বদেশপ্ৰেমৰ এই ধাৰা তীব্ৰ ৰূপত প্ৰকাশ হৈছিল। ইয়াৰ উপৰিও দণ্ডিনাথ কলিতা, দৈৱচন্দ্ৰ তালুকদাৰ, হিতেশ্বৰ বৰবৰুৱা, হৰিনাৰায়ণ দত্তবৰুৱা, শৰৎচন্দ্ৰ গোস্বামীৰ নাম এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি। মানৰ আক্ৰমণ, মোৱামৰীয়া বিদ্ৰোহ, দন্দুৱা দ্ৰোহ, সামাজিক সংস্কাৰক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা এই শ্ৰেণীৰ উপন্যাসে আধুনিক অসমীয়া উপন্যাস সাহিত্যৰ আদি স্তৰত স্বদেশপ্ৰেমৰ ধাৰাটি ধৰি ৰাখিছিল।

সমালোচনা সাহিত্যৰ জৰিয়তেও স্বদেশপ্ৰেমৰ ধাৰাটি অসমীয়া সাহিত্যত লক্ষ্য কৰা যায়। 'অৰুনোদই'ৰ পাছত আৰম্ভ হোৱা প্ৰবন্ধ সাহিত্য পূৰ্ণৰূপত বিকশিত হ'ল 'জোনাকী'ৰ সময়ৰ পৰা। অন্যহাতে সাহিত্য সমালোচনা আৰম্ভ হয় জোনাকীৰ জৰিয়তে। 'অৰুনোদই'ত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আৰু ৰত্নেশ্বৰ মহন্ত, কমলাকান্ত ভট্টাচাৰ্যৰ প্ৰবন্ধ আৰু পৰৱৰ্তী জোনাকী যুগত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, সত্যনাথ বৰা, হেমচন্দ্ৰ গোস্বামী, অম্বিকাগিৰী ৰায়চৌধুৰী, বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, বেণুধৰ শৰ্মা, ডিম্বেশ্বৰ নেওগ আদিৰ বিবিধ প্ৰবন্ধ আৰু সমালোচনাপুথিত স্বদেশপ্ৰেমৰ স্বাক্ষৰ উজ্জ্বল হৈ আছে।

এই আলোচনাত কেৱল উপন্যাস সাহিত্য, প্ৰবন্ধ সাহিত্য, সমালোচনা সাহিত্যৰ চমু আভাসহে মাথোন দিয়া হ'ল। যিহেতু আমাৰ এই গৱেষণা গ্ৰন্থত বিস্তৃত অধ্যয়নৰ অৱকাশ কম।

এনেদৰেই অসমীয়া সাহিত্যত স্বদেশপ্ৰেমৰ ধাৰাটি সাহিত্যৰ বিভিন্ন সংৰূপৰ মাজেৰে প্ৰবাহিত হৈ আহিছে। 'অৰুনোদই'ত আৰম্ভ হোৱা স্বদেশপ্ৰেমৰ ধাৰাটি 'জোনাকী'ত বিষয়বস্তুৰ দিশত পূৰ্ণ বিকশিত হৈ অন্তঃসলিলা ফল্গুৰ দৰে আজিও বৈ আছে।

### ১.৫ বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য-কৃতিৰ চমু আভাস ঃ

#### ১.৫.১ জন্ম ঃ

অসমীয়া সাহিত্যত স্বদেশপ্ৰেম প্ৰকাশৰ ক্ষেত্ৰখনিত এক নতুন মাত্ৰা প্ৰদান কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ জন্ম হয় ১৯০১ চনৰ জানুৱাৰী মাহৰ ৩০ তাৰিখে ন-হাটৰ আইতাকৰ ঘৰত।লেখকৰ ভাষাৰে—

> ১৯০১ চনৰ জানুৱাৰী মাহ, ১৮২৩ শকৰ মাঘ মাহৰ ১৫ তাৰিখ মঙ্গলবাৰে কৃষ্ণা পঞ্চমী তিথিত মোৰ জন্ম। কন্যা ৰাশি, হস্থা নক্ষত্ৰ, দেৱগণ। মই টীয়কৰ ব্ৰাহ্মণ গাঁৱৰ যদিও তাত ওপজা নাই। মোৰ জন্ম হৈছিল ন-হাটৰ আইৰ মাকৰ দুৱাৰ চুকত।[৪৬]

স্বাধীনতাৰ শ্বহীদ মণিৰাম দেৱানৰ ঘনিষ্ঠ সখি টীয়কীয়া শুকদেৱ অধ্যাপকৰ আজো-নাতি গোলাপ চন্দ্ৰ বৰুৱাৰ বৰপুত্ৰ বিনন্দ চন্দ্ৰ বৰুৱা। মাতৃ দময়ন্তী দেৱী আছিল গাখীৰখোৱা মৌজাৰ মৌজাদাৰ কমলেশ্বৰ বৰুৱাৰ কন্যা।[৪৭]

### ১.৫.২ শিক্ষা ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল টীয়ক ব্ৰাহ্মণ গাঁৱৰ ৫৪ নম্বৰ দুলীয়া গাঁও প্ৰাথমিক বিদ্যালয়ত। ১৯০৫-০৬ চনৰ পৰাই তেখেতে ক, ক, খ, খ পঢ়িবলৈ আৰম্ভ কৰিছিল। সেই কথা বৰুৱাৰ আত্মজীৱনীমূলক লেখা ‘অতীতৰ ৰিং’ ত উল্লেখ আছে এনেদৰে —

> আমি পঢ়া বিদ্যালয়খনেই বেলেগ ঘৰত ৰাজহুৱাকৈ পতা প্ৰাথমিক বিদ্যালয়। এই বিদ্যালয় ব্ৰাহ্মণ গাঁৱতে আছিল আৰু এতিয়াও আছে যদিও, বিদ্যালয়খনৰ নাম ৫৪ নম্বৰ দুলীয়া গাঁও প্ৰাথমিক বিদ্যালয়। ... ১৯০৫-০৬ চনৰ পৰাই মই ক, ক, খ, খ পঢ়িবলৈ আৰম্ভ কৰোঁ।[৪৮]

---

৪৬। অতীতৰ ৰিং, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৬৪

৪৭। জিতাঞ্জলী বৰপূজাৰী, ‘কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ চমু জীৱনী’, *ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা*, সম্পা., ভৱ গোস্বামী, পৃ. ১০১

৪৮। অতীতৰ ৰিং, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৭৬

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰথম শিক্ষক আছিল চন্দ্ৰনাথ হাজৰিকা[৪৯] আৰু প্ৰথম পাঠ্যপুথি আছিল 'ল'ৰা শিক্ষা' আৰু 'ল'ৰা সখী।'[৫০]

বিনন্দ চন্দ্ৰ বৰুৱাই প্ৰাথমিক বিদ্যালয়ত নিচেই কম দিনহে অধ্যয়ন কৰিছিল। বিনন্দ চন্দ্ৰ বৰুৱাৰ মতে —

> মই প্ৰাথমিক স্কুলৰ প্ৰথম শ্ৰেণীলৈকে পঢ়িবলৈ নহ'ল। ঘৰতে ইংৰাজী পঢ়িছিলোঁ, বহুত দিন স্কুল খতিও হয়। বৌটিৰ লগত গৈ ন-হাটৰ মোমাইদেউহঁতৰ ঘৰত থাকোগৈ।[৫১]

টীয়কৰ পাঠশালাত তেওঁৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল যদিও তেওঁৰ বাবে প্ৰকৃত পাঠশালা স্বৰূপ আছিল দেৰগাঁৱৰ ন-গোসাঁইৰ ঘৰৰ জীয়াৰী আইতাকৰ শিক্ষাহে। সেইগৰাকী আইতাকৰ ওচৰতে তেওঁ সকলোবোৰ পদ-পুথি পঢ়ি শেষ কৰে। নিৰ্জু স্বভাৱৰ বিনন্দ চন্দ্ৰ বৰুৱাই আইতাকৰ পৰা লাভ কৰিছিল বংশৰ পদুমফুল হোৱাৰ আশীৰ্বাদ।[৫২] বিনন্দ চন্দ্ৰ বৰুৱাই পৰৱৰ্তী স্কুলীয়া জীৱন পাৰ কৰে যোৰহাট আৰু মৰিয়নীত।

মৰিয়নীৰ নতুন স্কুলত নাম লগোৱা প্ৰথম ছাত্ৰ আছিল বিনন্দ চন্দ্ৰ বৰুৱা।[৫৩] সেই সময়ছোৱা আছিল প্ৰথম বিশ্বযুদ্ধৰ সময়। তাৰ পিছত পুনৰ বিনন্দ চন্দ্ৰ বৰুৱাই যোৰহাটত শিক্ষা গ্ৰহণ কৰে।[৫৪]

বিনন্দ চন্দ্ৰ বৰুৱাই যোৰহাট চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা '১৯২১ চনত প্ৰৱেশিকা

---

৪৯। উল্লিখিত, পৃ. ৭৭৭

৫০। "আমি পানীন্দ্ৰ নাথ গগৈৰ 'ল'ৰা শিক্ষা'কে আৰম্ভ কৰিছিলো। সেই বিখ্যাত সৰবৰহী পুথিখনৰ বহুত কথা আমাৰ এতিয়াও মনত আছে। তাৰ পিছত 'ল'ৰা সখি' নিম্ন প্ৰাইমেৰী পাঠ ১ম আৰু ২য় ভাগ পঢ়িছিলোঁ। তাত থকা ধুনীয়া ধুনীয়া পদ্যবোৰ আওৰাই আৰু আবৃত্তি কৰি বৰ ভাল পাইছিলোঁ, 'কাৰ্য প্ৰৱেশ', 'পৰিমিতি' অলপ অলপ প্ৰাথমিক বিদ্যালয়ত পঢ়িছিলোঁ।"
- উল্লিখিত, পৃ. ৭৭৭

৫১। উল্লিখিত

৫২। উল্লিখিত, পৃ. ৭৮৭

৫৩। জিতাঞ্জলী বৰপূজাৰী, "কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ চমু জীৱনী", *ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা,* সম্পা., ভৱ গোস্বামী, পৃ. ১০২

৫৪। অতীতৰ ৰিং, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৯৬

পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ[৫৫] হৈ কলেজীয়া শিক্ষা গ্ৰহণৰ বাবে গুৱাহাটীৰ কটন কলেজত নামভৰ্তি কৰে। সেই কলেজৰ পৰাই বিনন্দ চন্দ্ৰ বৰুৱাই 'বুৰঞ্জী'ত অনাৰ্চ[৫৬] সহ ১৯২৫ চনত কটন কলেজৰ পৰা বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতকোত্তৰ শ্ৰেণীৰ বাবে কলিকতালৈ যায়। কলিকতাত ত্ৰিশ নম্বৰ সীতাৰাম ঘোষ ষ্ট্ৰীট, নৰেন্দ্ৰ স্কোয়াৰ মেছত[৫৭] থাকি বিশ্ববিদ্যালয়ত আইন আৰু এম.এ. পঢ়িবলৈ নাম লগাই লৈছিল[৫৮] অৱশ্যে বিনন্দ চন্দ্ৰ বৰুৱাই আইনৰ শিক্ষা সম্পূৰ্ণ নকৰাকৈয়ে আৰু এম.এ. ডিগ্ৰী নোলোৱাকৈয়ে অসমলৈ ঘূৰি আহিছিল।

> এম. এ পৰীক্ষাৰ পাঁচখন পেপাৰ দিয়াৰ পিছতে মোৰ হাগনি হৈছিল। সেই দিনকেইটাত মহাদেৱ শৰ্মা, তেখেতৰ পত্নী কুঞ্জলতা দেৱী আৰু কমলাকান্ত ভট্টাচাৰ্য্যই আগবঢ়োৱা সেৱা-শুশ্ৰূষাৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। নৰীয়াৰ বাবে পৰীক্ষা সম্পূৰ্ণকৈ নিদি ঘৰলৈ গুছি আহিলোঁ। পুনৰ যাবৰ মন নগ'ল। [৫৯]

সিমানতেই তেওঁৰ আনুষ্ঠানিক শিক্ষা সমাপ্তি ঘটিছিল।

**১.৫.৩ কৰ্মজীৱন ঃ**

বিনন্দ চন্দ্ৰ বৰুৱাই শিক্ষকতা চাকৰিৰে তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰিছিল। প্ৰৱেশিকা পৰীক্ষা দিয়েই ফলাফল ঘোষণা নকৰালৈকে অবৈতনিকভাৱে ঘৰৰ ওচৰৰ নতুনকৈ খোলা স্কুল এখনত শিক্ষকতাৰ

---

৫৫। উল্লিখিত, পৃ. ৭৯৭

৫৬। উল্লিখিত, পৃ. ৮০৮

৫৭। উল্লিখিত, পৃ. ৭৯৭

৫৮। উল্লিখিত, পৃ. ৮২৭-৮২৮

৫৯। হেমন্ত বৰ্মন, সাক্ষাৎ প্ৰসংগ-২, সেই সময়, শ্ৰীময়ীৰ সৌজন্যত, ১৬—২৮ ফেব্ৰুৱাৰী, ১৯৯৩, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১১৩৭-৩৮

চাকৰিত যোগদান কৰিছিল।[৬০]

বি.এ. পৰীক্ষা দি ঘৰলৈ আহি দদাইদেউকৰ লগত সাপেখাটিত চাহ বাগিচাৰ কামত যোগ দিছিল আৰু পৰৱৰ্তী সময়ত ১৯২৯[৬১] চনৰ পৰা নিগাজীকৈ জাঁজী হাইস্কুলত শিক্ষকতাৰ বৃত্তিত যোগদান কৰিছিল। সেই বিদ্যালয়তে প্ৰায় দুকুৰি বছৰ পাৰ কৰি ১৯৬৭[৬২] চনত অৱসৰ গ্ৰহণ কৰিছিল। শিক্ষকতাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা বিনন্দ চন্দ্ৰ বৰুৱাই দৈনিক যোল্ল মাইল চাইকেলেৰে অহা-যোৱা কৰিছিল।[৬৩] তাৰ উপৰিও বিনন্দ চন্দ্ৰ বৰুৱাই অবৈতনিক শিক্ষকৰূপে (১৯৫৯-১৯৬৩) তেতিয়াৰ টীয়ক পূৰ্বাঞ্চল কলেজ (বৰ্তমানৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক)ত শিক্ষাদান কৰিছিল।[৬৪] বিনন্দ চন্দ্ৰ বৰুৱাৰ নিজ কৰ্মৰ বাবে লাভ কৰা বিভিন্ন স্বীকৃতি এনেধৰণৰ —

‘ৰাজস্থানৰ গল্প’, ‘মহাৰাজ নৰনাৰায়ণ’ শিশু সাহিত্যৰ বাবে অসম সাহিত্য সভাৰ ‘কমলাদেৱী শিশু সাহিত্য বঁটা’।

অসম সাহিত্য সভাৰ পৰা ‘সাহিত্যাচাৰ্য’ (১৯৮৯) সন্মান লাভ কৰিছিল।

বিনন্দ চন্দ্ৰ বৰুৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা লাভ কৰিছিল সন্মানীয় ‘ডক্টৰেট’ (১৯৮৯) ডিগ্ৰী।

অন্যহাতে বিনন্দ চন্দ্ৰ বৰুৱা আছিল অসম চৰকাৰে প্ৰদান কৰা প্ৰথম চামৰ ‘সাহিত্যিক পেঞ্চনাৰ’ (১৯৭২-৭৩)[৬৫]

---

৬০। অতীতৰ ৰিং, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮২৮

৬১। উল্লিখিত, পৃ. ৮৩৬

৬২।উল্লিখিত, পৃ. ৮৬৯

৬৩।উল্লিখিত, পৃ. ৮৭০

৬৪। *সাক্ষাৎ প্ৰসংগ - ২, সেই সময়, সাক্ষাৎ গ্ৰহণ, হেমন্ত বৰ্মন, শ্ৰীময়ী* ১৬-২৮, *ফেব্ৰুৱাৰী* ১৯৯৩, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা: সুনীল পৱন বৰুৱা, পৃ. ১১৩৭-১১৩৮

৬৫। সুনীল পৱন বৰুৱা, জীৱনপঞ্জী, বিনন্দ চন্দ্ৰ বৰুৱা (১৯০১-১৯৯৪), *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা: সুনীল পৱন বৰুৱা, পৃ. ১১৪৪

কাব্যজগতত বিনন্দ চন্দ্ৰ বৰুৱাক ‘জাতীয় কবি’[৬৬], ‘চাৰণ কবি’[৬৭], ‘কজ্জা কবি’ ‘গড়গঞা কবি’[৬৮] আদি উপাধিয়ে বিভূষিত কৰা হয় যদিও বৰুৱাৰ সবাতোকৈ জনপ্ৰিয় উপাধি হৈছে ‘ধ্বনিকবি’।[৬৯]

বিনন্দ চন্দ্ৰ বৰুৱাই ‘ পোষ্ট কাৰ্ড’ৰ অসমীয়া প্ৰতিশব্দ ‘ডাক পখিলী’ শব্দ সৃষ্টি কৰিছিল। এই সন্দৰ্ভত স্ৰষ্টা বিনন্দ চন্দ্ৰ বৰুৱাৰ মত এনেধৰণৰ—

> পাৰ্বতী প্ৰসাদ (পাৰ্ৱতিপ্ৰসাদ) বৰুৱা আৰু মই একেটা মেছতে আছিলো। পাৰ্বতী প্ৰসাদ (পাৰ্ৱতিপ্ৰসাদ)ৰ জ্বৰ হ’ল। জ্বৰীয়া গাৰেই মোক ক’লে, “ঘৰলৈ চিঠি এখন দিয়াচোন মোৰ নৰীয়াৰ কথা জনাই।” আমি তেতিয়া পোষ্টকাৰ্ড কিনো। আৰ্মহাষ্ট ষ্ট্ৰীট ডাকঘৰত। মই ডাকঘৰলে ওলোৱাত পাৰ্বতী প্ৰসাদে (পাৰ্ৱতিপ্ৰসাদে) ক’লে, “যি কিনা তাৰেই অসমীয়া নাম দি আনিবা।” পোষ্টকাৰ্ড কিনি উভতি আহি দেখিলো হালধীয়া পখিলা এটা উৰি ফুৰিছে। মনতে ভাবিলো, “ডাক পখিলী” নাম দিলে কেনে হয়। পাৰ্বতী প্ৰসাদ (পাৰ্ৱতিপ্ৰসাদ)ক নামটো কোৱাত জাপ মাৰি উঠি ক’লে, “তুমি দেউ বৰ ভাল নাম দিলা।” পাৰ্বতী প্ৰসাদ (পাৰ্ৱতিপ্ৰসাদ)ৰ নৰীয়াৰ খবৰ ল’বলে কমলাকান্ত ভট্টাচাৰ্য্য, বেণুধৰ শৰ্মা, মহাদেৱ শৰ্মা আদি কেইবাজনো আহিছিল। পাৰ্বতী প্ৰসাদে (পাৰ্ৱতিপ্ৰসাদে) নৰীয়া গাৰে কথাটো সকলোকে জনালে। সকলোৱে শলাগিলে। “অসম হিতৈষী”ত নামটো প্ৰকাশ পোৱাৰ পিছত শব্দটি হেম বৰুৱাই ব্যৱহাৰ কৰিছিল আৰু এতিয়াও চলি আছে।[৭০]

---

৬৬। যতীন্দ্ৰ নাথ দুৱৰা, পাতনি, *প্ৰতিধ্বনি, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী;* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮

৬৭। সত্যেন্দ্ৰনাৰায়াণ গোস্বামী, ‘আধুনিক সাহিত্য ঃ কাব্য আৰু কবিতা’, *অসমীয়া সাহিত্যৰ কথা,* পৃ. ৬৮

৬৮। মনোৰমা বৰুৱা, ‘সাক্ষাৎকাৰ, ধ্বনিকবিৰ লগত অন্তৰঙ্গ কথা-বতৰা’, *গৰীয়সী,* প্ৰথম বছৰ, প্ৰথম সংখ্যা, ১৯৯৪, ফে. সম্পা., চন্দ্ৰ প্ৰসাদ শইকীয়া, পৃ. ১২৬-১২৭

৬৯। কমল (ৰাণা) শৰ্মা, *সাক্ষাৎ - প্ৰসংগ - ৩, ‘ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ বিৱানব্বৈ বছৰ’,* বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১১৪১

৭০। হেমন্ত বৰ্মন, সাক্ষাৎ প্ৰসংগ-২, সেই সময়, শ্ৰীময়ীৰ সৌজন্যত, ১৬—২৮ ফেব্ৰুৱাৰী, ১৯৯৩, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১১৩৮

বিনন্দ চন্দ্ৰ বৰুৱাৰ মৃত্যু হয় ১৯৯৪ চনৰ ১২ ফেব্ৰুৱাৰীত, গুৱাহাটীত ।

### ১.৫.৪ অসম সাহিত্য সভা আৰু বিনন্দ চন্দ্ৰ বৰুৱা ঃ

ছাত্ৰ অৱস্থাতে অৰ্থাৎ ১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনত দদায়েক কমল চন্দ্ৰ বৰুৱাৰ লগত যোগদান কৰা বিনন্দ চন্দ্ৰ বৰুৱা অসম সাহিত্য সভাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। দুই এখন অধিৱেশনৰ বাদে মৃত্যুৰ আগলৈকে সকলো অধিৱেশনৰ লগত বিনন্দ চন্দ্ৰ বৰুৱা জড়িত হৈ থাকি উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। বিনন্দ চন্দ্ৰ বৰুৱাৰ ভাষাৰে —

> ১৯১৭ চনৰ শিৱসাগৰত পদ্মনাথ গোহাঞিবৰুৱাৰ সভাপতিত্বত বহা প্ৰথমখন অধিৱেশনৰ (মই তেতিয়া হাইস্কুলৰ ছাত্ৰ) পৰা শাৰীৰিক অসুস্থাৰ বাবে তিনিখনৰ বাহিৰে আটাইবোৰ সাহিত্য সভা অধিৱেশনলৈকে  গৈছোঁ। ১৯৩০ চনৰ পৰাই দুবছৰমান বাহিৰে সকলোবোৰ সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সমিতিৰ সদস্য আছিলোঁ।[৭১]

বিনন্দ চন্দ্ৰ বৰুৱা প্ৰথমবাৰ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য নিৰ্বাচিত হয় ১৯৫৫ চনত, গুৱাহাটীৰ অধিৱেশনত। ১৯৫৮ চনত বৰুৱাই প্ৰধান সম্পাদকৰ দায়িত্ব লাভ কৰি ১৯৫৮-৫৯ বছৰটোত সভাপতি পদ্মধৰ চলিহা আৰু সহকাৰী সম্পাদক যতীন্দ্ৰ নাথ গোস্বামীৰ সৈতে কেইবাটিও উল্লেখযোগ্য কাৰ্য সমাপন কৰা কাৰ্যই বিনন্দ চন্দ্ৰ বৰুৱাৰ কৰ্মদক্ষতা আৰু জাতীয় অনুষ্ঠানৰ প্ৰতি গভীৰ

৭১। মনোৰমা বৰুৱা, 'সাক্ষাৎকাৰ, ধ্বনিকবিৰ লগত অন্তৰঙ্গ কথা-বতৰা', *গৰীয়সী*, প্ৰথম বছৰ, প্ৰথম সংখ্যা, ১৯৯৪, ফে. সম্পা., চন্দ্ৰ প্ৰসাদ শইকীয়া, পৃ. ১২৭

অনুৰাগ প্ৰকাশ পাইছে। সেই বছৰৰ পৰাই সভাই ৯ চেপ্তেম্বৰ দিনটো 'ভাষা দিৱস'[৭২] হিচাপে পালন কৰিবলৈ লয়। আকাশবাণীৰ গুৱাহাটী আৰু শ্বিলং কেন্দ্ৰত জনজাতি আৰু চাহ মজদুৰ সকলৰ বাবে প্ৰচাৰিত বাতৰি হিন্দীৰ পৰিৱৰ্তে অসমীয়া ভাষাত প্ৰচাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সভাই জনোৱা দাবী মানি লৈ অসমীয়াত বাতৰি প্ৰচাৰৰ নিয়ম প্ৰৱৰ্তন কৰে।[৭৩] অসমৰ দৌল-দেৱালয়, তীৰ্থস্থান আদি সম্পৰ্কে সভাই এখন পুথি প্ৰণয়নৰো দিহা কৰিছিল। সেই বছৰতে প্ৰকাশ হৈ ওলোৱা ড° মহেশ্বৰ নেওগ সম্পাদিত 'পৱিত্ৰ অসম' গ্ৰন্থ এই আঁচনিৰে ফল।[৭৪]

বিনন্দ্ৰ চন্দ্ৰ বৰুৱা অসম সাহিত্য সভাৰ চাৰিবাৰ উপ সভাপতি (যথাক্ৰমে ১৯৫৯, ১৯৬০, ১৯৬১ আৰু ১৯৬৫ চনত) নিৰ্বাচিত হৈছিল। ১৯৬৬-৬৭ চনত সভাপতিৰূপে নিৰ্বাচিত হৈ সাহিত্য সভাৰ গুৰু দায়িত্ব পালন কৰিছিল। ৩৩ তম এই অধিৱেশন উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত হৈছিল।[৭৫] মাতৃভাষা, দেশাত্মবোধ, দেশৰ সমস্যা, সাহিত্যৰ অংগ আৰু লক্ষণ, শিক্ষাৰ মাধ্যম, ব্যাকৰণ, বিশ্বকোষ, পুথি প্ৰকাশ ইত্যাদি বিভিন্ন বিষয় সম্বলিত বৰুৱাৰ সভাপতিৰ অভিভাষণখনিত তেওঁ চিন্তাৰ গভীৰতা, সূক্ষ্ম বিশ্লেষণ আৰু গভীৰ দেশাত্মবোধ প্ৰতিফলিত হৈছে। স্বদেশৰ ভাষা সাহিত্যৰ প্ৰতি প্ৰকাশ পোৱা দায়বদ্ধতাৰ বাবে অভিভাষণখনি 'জাতীয় চেতনা সম্পন্ন এখন জাতিৰ দলিল স্বৰূপ'।[৭৬]

### ১.৫.৫ সম্পাদক, সংগঠক বিনন্দ চন্দ্ৰ বৰুৱা ঃ

স্কুলীয়া ছাত্ৰ অৱস্থাতে বৰুৱাই হাতে লিখা আলোচনী 'প্ৰভাত' সম্পাদনা কৰিছিল। পৰৱৰ্তী সময়ত ১৯২৪ চনত অসম ছাত্ৰ সন্মিলন (গুৱাহাটী)ৰ সম্পাদকৰূপে কৰ্ম সম্পাদন আৰু অসম ছাত্ৰ

---

৭২। অমল ৰাজখোৱা, 'অসম সাহিত্য সভাৰ সভাপতি ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা আৰু সভাপতি অভিভাষণ', *প্ৰতিধ্বনি*, সম্পা. হিমেন ভট্টাচাৰ্য্য, পৃ. ৮

৭৩। উল্লিখিত

৭৪। উল্লিখিত

৭৫। যতীন্দ্ৰনাথ গোস্বামী, 'বিনন্দ চন্দ্ৰ বৰুৱা অসম সাহিত্য সভা' *ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা*, সম্পা. ভৱ গোস্বামী, পৃ. ৬

৭৬। পূৰ্বোল্লিখিত, পৃ. ১১

সন্মিলনৰ মুখপত্ৰ 'মিলন' (পঞ্চম আৰু ষষ্ঠ বছৰ)ৰ সম্পাদকৰ দায়িত্ব কলিকতাত পঢ়ি থকা অৱস্থাতে বহন কৰিছিল।[৭৭]

কটন কলেজত পঢ়ি থকা কালতে বিনন্দ্ৰ চন্দ্ৰ বৰুৱাই অসমীয়া ছাত্ৰ সভাৰ মুখপত্ৰ 'জেউতি'ৰ সম্পাদক আৰু 'ধৰ্মালোচনী সভা'ৰো সম্পাদক আছিল।[৭৮] ইয়াৰ উপৰিও বিনন্দ্ৰ চন্দ্ৰ বৰুৱাৰ কৰ্মজীৱনত সাঙোৰ খাই আছে ১৯১৭ চনত টীয়ক ছাত্ৰ সন্মিলন গঠন, ১৯২০ চনত টীয়ক শাখা সাহিত্য সভা গঠন।[৭৯] সামাজিক জীৱনত বিনন্দ চন্দ্ৰ বৰুৱাৰ উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। স্থানীয় সাত গাঁও সমিতি, জেউতি মইনা পাৰিজাত, জয়হিন্দ ক্লাব[৮০] ইত্যাদি সামাজিক সংগঠনৰ লগত সংগঠক ৰূপে জন্মলগ্নৰে পৰা জড়িত হৈ কৰ্ম সম্পাদন কৰি সামাজিক জীৱনৰ উত্তৰণৰ হকে অহোপুৰুষাৰ্থ কৰিছিল।

বিনন্দ চন্দ্ৰ বৰুৱাই টীয়কৰ নিজা বাসগৃহ 'অচ্যুত ভৱন'ৰ পৰা প্ৰকাশিত 'বৰদৈচিলা' (১৯৩১) আলোচনীখনিৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদকৰূপে কৰ্ম সম্পাদন কৰিছিল। টীয়ক বালিকা উচ্চ ইংৰাজী বিদ্যালয়, টীয়ক পূৰ্বাঞ্চল কলেজ (বৰ্তমান চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক)ৰ প্ৰতিষ্ঠাপক সভাপতি (১৯৫৯) আছিল বিনন্দ চন্দ্ৰ বৰুৱা। স্বদেশপ্ৰেমিক বিনন্দ চন্দ্ৰ বৰুৱা আছিল জাঁজী লাচিত মেলা (১৯৩০)ৰ জন্মদাতা[৮১] আৰু সদৌ অসম ঢুলীয়া সন্মিলন (১৯৭৫)ৰ প্ৰতিষ্ঠাপক।

কৰ্মৰত জীৱনত জাঁজীৰ নাট্য সমাজৰ উন্নতিৰ হকে বিনন্দ চন্দ্ৰ বৰুৱাই যৎপৰোনাস্তি চেষ্টা কৰিছিল। জাঁজী নাট্য সমাজৰ তাগিদাত বৰুৱাই 'পাৰ্থ সাৰথি' নাটক ৰচনা কৰাৰ উপৰিও অভিনয়ো কৰিছিল। প্ৰায় ৭০ বছৰ ধৰি (১৯২০-১৯৯০) অসমৰ বিভিন্ন জিলাত অনুষ্ঠিত সামাজিক, সাংস্কৃতিক,

---

৭৭। অতীতৰ ৰিং, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮২৩

৭৮। মনোৰমা বৰুৱা, 'সাক্ষাৎকাৰ, ধ্বনিকবিৰ লগত অন্তৰঙ্গ কথা-বতৰা', *গৰীয়সী,* প্ৰথম বছৰ, প্ৰথম সংখ্যা, সম্পা. চন্দ্ৰপ্ৰসাদ শইকীয়া, পৃ. ১২৭

৭৯। উল্লিখিত

৮০। কমলেশ্বৰ বৰা, 'ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ সামাজিক অৱদানৰ ৰেঙনি', *প্ৰতিধ্বনি,* সম্পা. হিমেন ভট্টাচাৰ্য, পৃ. ১৭

৮১। "বেণুধৰ শৰ্মাই চাৰিঙক কেন্দ্ৰ কৰি জাতীয় জাগৰণৰ সপোন দেখিছিল, বিনন্দ বৰুৱাই একে সপোনকে দেখিছিল টীয়ক-জাঁজীক কেন্দ্ৰ কৰি। বেণুধৰে মণিৰাম দেৱানৰ উছৱ পাতিছিল বিনন্দ বৰুৱাই পাতিছিল লাচিত মেলা। লগত আছিল স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মা।"

- বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, 'বিনন্দ চন্দ্ৰ বৰুৱা কবি আৰু কৰ্মযোগী', *প্ৰতিধ্বনি,* সম্পা. হিমেন ভট্টাচাৰ্য্য, পৃ. ৩০

শৈক্ষিক অনুষ্ঠানত শিক্ষাবিদ, সাহিত্যিক, সংগঠক, সম্পাদকৰ বিশেষ ভূমিকাৰে কৰ্ম সম্পাদন কৰি বিনন্দ চন্দ্ৰ বৰুৱাই দেশ আৰু জাতিৰ নামত নিজকে আত্মোৎসৰ্গ কৰিছিল।

## ১.৫.৬ সাহিত্যিক জীৱন

বিনন্দ চন্দ্ৰ বৰুৱাই শৈশৱতে আইতাকৰ পৰা লাভ কৰিছিল নৈতিক জ্ঞান আৰু পঢ়া-শুনাৰ প্ৰতি উৎসাহ লাভ কৰিছিল দদায়েক কমল চন্দ্ৰ বৰুৱাৰ পৰা। যোৰহাট চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ হাতে লিখা আলোচনী 'প্ৰভাত'ত প্ৰকাশ পোৱা 'অসম' নামৰ কবিতাৰে বিনন্দ চন্দ্ৰ বৰুৱাই সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। কটন কলেজত পঢ়ি থাকোঁতে সাহিত্য চৰ্চাৰ অনুপ্ৰেৰণা সেই সময়ৰ অসমৰ বৰেণ্যজনৰ পৰা লাভ কৰিছিল। তাৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, অশুতোষ চেটাৰ্জী, ভুবনমোহন দে, চুনীলাল দে, লক্ষ্মীনাথ চেৰ্টাজী কথা জানিব পাৰি।[৮২] বিনন্দ চন্দ্ৰ বৰুৱাৰ ভাষাৰে —

> সাহিত্যৰথী বেজবৰুৱা প্ৰমুখ্যে সাহিত্যিকসকলক সম্বৰ্ধনা জনাবলৈ কটন কলেজৰ কাৰ্জন হলৰ ছাত্ৰসকলে এখন সভাৰ আয়োজন কৰিছিল। আইন মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই সভাপতি আসন গ্ৰহণ কৰিছিল। সেই সময়ত এনে সভা-সমিতিবিলাকত চাহ-জলপানৰ ব্যৱস্থা সাধাৰণতে নাছিল; সেইকাৰণে ছাত্ৰসকলে এনেধৰণৰ ৰাজহুৱা সভা পাতিবলৈ ধনৰ বিশেষ আৱশ্যক নাছিল। ছাত্ৰ আৰু অধ্যাপকসকলে নিজৰ কলেজতে অসমৰ সাহিত্যিকসকলক দেখিবলৈ পোৱা আৰু তেখেতসকলৰ মুখৰ পৰা দুআষাৰ শুনিবলৈ পোৱাটো ভাগ্যৰ কথা বুলি ভাবিছিল। সেই সভাতে 'বাজ বীণ' বুলি কবিতা এটা পাঠ কৰিছিলোঁ। কবিতাটো পাঠ কৰাৰ পিছত বেজবৰুৱা ডাঙৰীয়াই মোক ওচৰলৈ মাতি নি পিঠিত চপৰিয়াই মৰম কৰি

৮২। মনোৰমা বৰুৱা, 'সাক্ষাৎকাৰ, ধ্বনিকবিৰ লগত অন্তৰঙ্গ কথা-বতৰা', *গৰীয়সী,* ১৯৯৪, সম্পা. চন্দ্ৰপ্ৰসাদ শইকীয়া, পৃ. ১২৭

> কিবাকিবি কৈ উৎসাহ দিছিল আৰু মোৰ চিনাকি সুধি নাতি বুলি কৈছিল। সেইদিনা বেজবৰুৱা ককাৰ মৰম আৰু আশীৰ্বাদ পাহৰিব নোৱাৰোঁ আৰু সেয়ে যেন মোক সামান্যভাৱে হ'লেও সাহিত্য চৰ্চাত আগবঢ়াই দিলে।[৮৩]

ছাত্ৰ অৱস্থাত ‘প্ৰভাত’, ‘সেউতী’ আদিত লেখা-মেলাৰ মাজেৰে সাহিত্যিক জীৱন আৰম্ভ কৰা বিনন্দ চন্দ্ৰ বৰুৱাই পৰৱৰ্তী কালত ‘জোনাকী’, ‘বাঁহী’, ‘মিলন’, ‘চেতনা’, ‘আৱাহন’ আৰু ‘ৰামধেনু’ আদি আলোচনীৰ জৰিয়তে সাহিত্য চৰ্চা কৰিছিল। কলিকতাত থকা সময়ছোৱাত বৰুৱাই অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ ‘মিলন’ আলোচনীৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল।

এনেদৰেই সাহিত্যিক জীৱনৰ ভেঁটি নিৰ্মাণ কৰা বিনন্দ চন্দ্ৰ বৰুৱা পৰৱৰ্তী সময়ত এজন কবি, নাট্যকাৰ, শিশু সাহিত্য লেখক, প্ৰাবন্ধিক, আত্মজীৱনী লেখক আৰু ব্যংগ লেখক ৰূপে খ্যাতি লাভ কৰে।

বিনন্দ চন্দ্ৰ বৰুৱা অসমীয়া সাহিত্য জগতত ‘কবি’ৰূপে অধিক খ্যাত। বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰথম কবিতা পুথি ‘শঙ্খধ্বনি’(১৯২৫)। ‘শঙ্খধ্বনি’, ‘কৰ্মবীৰ’, ‘শ্মশান’, ‘আবাহন’, ‘কৰ্মযোগী’, ‘বীণৰ সুৰ’, ‘মহাপুৰুষ’, ‘ভাৰত গৰিমা’, ‘আগবাঢ়া’, ‘জন্মভূমি’কে আদি কৰি ২৫ টি কবিতাৰ সংকলন হৈছে শংখধ্বনি। ‘শঙ্খধ্বনি’ কবিতাবিলাকৰ মাজেৰে বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ প্ৰকাশিত অন্যতম লক্ষণ হৈছে — অতীত ইতিহাসৰ সমলেৰে দেশবাসীৰ প্ৰাণত গভীৰ জাতীয় চেতনা সঞ্চাৰ কৰা, সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰা, ভাৰতীয়ত্বৰ অনুসন্ধান, জাতীয় ঐতিহ্যৰ ৰক্ষা কৰা, কৰ্মযোগী হৈ দেশৰ সৰ্বাংগীন বিকাশত অৰিহণা যোগোৱা, স্বাধীনতাৰ বাবে জাতিক জাগ্ৰত কৰা, স্বদেশহিতৈষি ৰূপে সমাজক গঢ়ি তোলা। বৰুৱাৰ জাতীয় প্ৰেমৰ কবিতাবিলাক যিদৰে কবিৰ স্বদেশপ্ৰেম প্ৰকট কৰি তুলিছে ঠিক তেনেদৰে কবিৰ প্ৰকৃতিৰ নৈসৰ্গিক ৰূপ বৰ্ণনাৰ কবিতাবিলাকেও মাতৃভূমিৰ প্ৰতি কবিৰ গভীৰ শ্ৰদ্ধা, প্ৰেম প্ৰকাশ

৮৩। অতীতৰ ৰিং, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ.৮৫৬

কৰিছে। 'শংখধ্বনি'য়ে জাতিৰ প্ৰাণত কৰ্মপ্ৰেৰণা জাগ্ৰত কৰি পৰাধীনতাৰ কৰলৰপৰা উদ্ধাৰৰ প্ৰেৰণা প্ৰদানৰ লগতে ভাৰতীয়সকলৰ সুপ্ত শক্তি জাগ্ৰত কৰি উচ্চ-নীচ পৰিহাৰ কৰি কৰ্মশক্তি বিস্তাৰ ঘটোৱাৰ প্ৰবল আশাৰে মুখৰ।

দ্বিতীয় কবিতাৰ সংকলন 'প্ৰতিধ্বনি' (১৯৩৮)। 'প্ৰতিধ্বনি', 'ব্ৰহ্মপুত্ৰ', 'ৰঙপুৰ', 'জন্মভূমি', 'ৰঙামুৰা বীৰ', 'আগীয়াঠুটীৰ বীৰ', 'নজনা বীৰৰ মূৰ', 'গড়গাঁও', 'বাজ বীণ', 'ধন্য শৰাইঘাট', 'লক্ষ্মীনাথ', 'ভাৰতবৰ্ষ', 'টীয়ক', 'সাৰ্বজনীন স্তুতি'কে আদি কৰি মুঠ ৩৮ টি উল্লেখযোগ্য কবিতাৰ সংকলন। কবিগৰাকীক ধ্বনি কবি ৰূপে প্ৰতিষ্ঠা কৰা অন্যতম কবিতা 'গড়গাঁও', 'ৰঙপুৰ', 'ৰঙামুৰা বীৰ', 'বাজ বীণ' আদি কবিতা এই সংকলনৰ অন্তৰ্গত। অতীত ইতিহাসৰ সমলেৰে দেশবাসীৰ প্ৰাণত গভীৰ জাতীয় চেতনা সঞ্চাৰ কৰা, সমন্বয়ৰ ঐতিহ্য বহন কৰা, ভাৰতীয় চেতনাৰ প্ৰকাশ ঘটোৱা, জাতীয় ঐতিহ্য ৰক্ষাৰ আহ্বান, কৰ্মযোগী হৈ দেশৰ সৰ্বাংগীন বিকাশত অৰিহণা যোগোৱাৰ আহ্বান, দেশৰ বীৰ-বীৰাংগনাসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন, মাতৃভাষাপ্ৰীতি, প্ৰকৃতি আৰু ঈশ্বৰৰ সন্ধান ইত্যাদিৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় বৰুৱাৰ এই কাব্যগ্ৰন্থত। ইয়াৰ মূলতে হৈছে বিনন্দ চন্দ্ৰ বৰুৱাৰ গভীৰ স্বদেশপ্ৰেম।

১৯৭৪ চনত প্ৰকাশ পোৱা 'জয়ধ্বনি' আৰু ১৯৭৬ চনত প্ৰকাশ পোৱা 'শিশুধ্বনি' কবিতাপুথিত সন্নিৱিষ্ট কবিতাৰ সংখ্যা ক্ৰমে ২৭ আৰু ৩৩। তাৰ উপৰিও 'বিয়লি বেলাৰ কবিতা'ত সন্নিৱিষ্ট ১৩ টি কবিতা আৰু সংকলনত অন্তৰ্ভূক্ত নোহোৱা অথচ ৰচনাৱলীত অন্তৰ্ভূক্ত হোৱা ২৩ টি কবিতা — এই সকলো কবিতাই বিনন্দ চন্দ্ৰ বৰুৱাৰ কবি সত্তাৰ পৰিচয় দাঙি ধৰে। 'জয়ধ্বনি' কবিতাপুথিত সন্নিৱিষ্ট কবিতাৰ সৰহভাগেই স্বাধীনতাৰ পিছৰ ৰচনা।[৮৪] 'জাতীয় পতাকাৰ জয়', 'শ্ৰীমন্ত শঙ্কৰ', 'মই সীমান্তৰ প্ৰহৰী', 'দেশভক্ত', 'বাহাদুৰ গাওঁবুঢ়া', 'ইতিহাসে কৰে পৰিহাস', 'হে জননী ভাৰতবৰ্ষ', 'ধুমুহা' আৰু 'প্ৰকৃতি বিজয়' আদি উল্লেখযোগ্য কবিতাৰে বিনন্দ চন্দ্ৰ বৰুৱাৰ 'জয়ধ্বনি' অন্যতম এক জাতীয় ভাৱাপন্ন কবিতা পুথি। 'বিনন্দীয়া কথা' শীৰ্ষক পাতনিত 'বীৰ ৰসৰ ধ্বনিত ছন্দে ছন্দে উটি যোৱা কবিতা লিখোতা শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাদেৱক ধ্বনি কবি বোলা সম্পূৰ্ণ সাৰ্থক হৈছে' বুলি দৃঢ়তাৰে ব্যক্ত কৰা আনন্দ চন্দ্ৰ

---

৮৪। আমাৰ একেষাৰ, 'জয়ধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*. সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১৯

বৰুৱাই উল্লেখ কৰিছে —

হে জননী ভাৰতবৰ্ষ', 'ত্ৰিৰঙ্গা পতাকা', 'মই আজি ৰচিম কবিতা' ইত্যাদি ভালেমান কবিতাত ধ্বনি কবিৰ স্বদেশপ্ৰেম, ভাৰত মাতাৰ প্ৰতি ভক্তি আৰু মানৱীয় প্ৰেমৰ পোহৰ উজ্জ্বল হৈ আছে। 'বাহাদুৰ গাঁওবুঢ়া', 'আনন্দৰাম', 'দেশভক্ত', 'তিলকৰ বিচাৰ', 'শ্ৰীমন্ত শঙ্কৰদেৱ' আদি কবিতাবিলাকতো জাতীয় বীৰসকলৰ প্ৰতি তেখেতৰ গভীৰ শ্ৰদ্ধা ফুটি উঠিছে। তদুপৰি বুৰঞ্জীৰ পম খেদি ধ্বনি কবিয়ে সোণামুৰা ডেকাও আৱিষ্কাৰ কৰিছে। টীয়ক নৈ পাৰত থকা সোণামুৰা চাপৰিয়ে সেই অজ্ঞাত সোণামুৰাৰ স্মৃতি আজিও জীয়াই থৈছে বুলি প্ৰতিপন্ন কৰিছে। ... 'জয়ধ্বনি' কবি কল্পিত অসমত জয়, জয় ধ্বনি উঠিছে। নামে কামে জয়ধ্বনি সাৰ্থক হৈছে।'[৮৫]

'জয়ধ্বনি' যিদৰে যাত্ৰাপথৰ সম্বলস্বৰূপ ঠিক তেনেদৰে 'শিশুধ্বনি'ৰ কবিতাবিলাকো একে পথৰে সম্বল। 'ঈশ্বৰ', 'পৃথিৱী', 'গোলাপ', 'সৰু বস্তু', 'বৰযুণ' 'বতাহ', 'বাৰ মাহ', 'চেষ্টাৰ অসাধ্য নাই' — ইত্যাদি উদ্দেশ্যধৰ্মী কবিতাবিলাক যেন দেশৰ শিশুসকলৰ বাবে পৰম উপভোগ্য। ইয়াৰ পৰা আহৰণ কৰা ৰসে শিশুসকলক পৰিপুষ্টি দান কৰিব আৰু জীৱন আৰু জগত চাবলৈ শিকাব। এই সম্পৰ্কে যজ্ঞেশ্বৰ শৰ্মাৰ মত এনেধৰণৰ —

শিশুধ্বনিয়ে টীয়কৰ পৰা ভগৱন্তলৈকে ভালেখিনি বিষয়বস্তু সামৰি লৈছে। আঁহত, বকুল আছেই, ফুটুকা ফুলো কবিৰ দৃষ্টিৰ পৰা সাৰি যাব পৰা নাই। হাতীৰ পৰা মাখিলৈকে সকলো বস্তুকে সহানুভূতিৰে চাই জীৱ আৰু বস্তুৰ সৌন্দৰ্য, ভাষাৰে

---

৮৫। আনন্দ চন্দ্ৰ বৰুৱা, পাতনি, *বিনন্দীয়া কথা, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা পৃ.৯

কলিজাত লগাকৈ প্ৰকাশ কৰিব পৰাই কবিৰ কৰ্ম।[৮৬]

'অৰুণ', 'অকণ' আদি শিশু আলোচনী আৰু পাঠ্যপুথিত সিঁচৰতি হৈ থকা কোমল কবিতাৰ একত্ৰ সংকলন।[৮৭] এই 'শিশুধ্বনি' শিশুসকলক উদ্দেশ্যি ৰচনা কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ এখনি উৎকৃষ্ট কাব্যগ্ৰন্থ।

ৰচনাৱলীত সন্নিৱিষ্ট 'বিয়লি বেলাৰ কবিতা' শিৰোনামেৰে অন্তৰ্ভুক্ত কবিতাৰ সংখ্যা মুঠ তেৰটি। 'টমাছ মূৰ'ৰ এটি কবিতাৰ অনুবাদ 'অতীতৰ সোঁৱৰণী' এই ৰচনাৰাজিত সন্নিৱিষ্ট। 'কোনে মেলিব দুৱাৰ?', 'হে শঙ্কৰ', 'প্ৰাচ্য সূৰ্য্যৰ প্ৰয়াণত', 'নতুন সাজত গড়গাঁও' ইত্যাদি এই সংকলনৰ উল্লেখযোগ্য কবিতা। এই কবিতাসমূহ প্ৰকৃতি জগত, আধ্যাত্মিক জগত আৰু শঙ্কৰদেৱ ভক্তি আদিৰ নিদৰ্শন।

'সংকলনত অন্তৰ্ভুক্ত নোহোৱা কবিতা'ৰ শিৰোনামেৰে মুঠ তেইশটি কবিতাৰে ৰচনাৱলীত সন্নিৱিষ্ট কবিতাৰাজিতো অনুৰূপ সুৰ প্ৰতক্ষ কৰা যায়। উল্লেখযোগ্য যে 'লাচিত উঠিল কাছি', 'আনন্দত উঠলে প্ৰাণ' শীৰ্ষক দুটি গীত এই কাবিতাৰাজিৰ মাজত বিচাৰি পোৱা যায়। 'মিলন', 'বাঁহী' আৰু 'আৱাহন'ত বৰুৱাৰ এইলানি কবিতা প্ৰকাশ পাইছিল। মহাপুৰুষ বন্দনা, ভগৱানৰ শ্ৰীচৰণ বন্দনা আৰু দেশৰ ঐতিহ্যৰাজিৰ লগতে বিজয়ৰ মহত্ত্ব কবিতালানিৰ মাধ্যমেৰে প্ৰকাশিত হৈছে।

তিনিটি গীত সহ সৰ্বমুঠ ১৫৭ টি কবিতাৰ আধাৰবস্তু হৈছে মূলতঃ বিভিন্ন ভাৱেৰে প্ৰকাশ পোৱা স্বদেশপ্ৰেম। স্বদেশপ্ৰেমক কেন্দ্ৰ কৰি যিবিলাক বিষয় কবিতাৰ মাজলৈ বিনন্দ চন্দ্ৰ বৰুৱাই আনিছে সকলোবিলাকে বৰুৱাৰ কবিতাক সুকীয়া মাত্ৰ প্ৰদান কৰি স্বদেশপ্ৰেমমূলক কাব্য জগতত স্মৰণীয় কৰি ৰাখিছে।

নাট্যকাৰ বিনন্দ চন্দ্ৰ বৰুৱাৰ পৌৰাণিক নাটক 'পাৰ্থ-সাৰথি' (১৯৩৬) আৰু বুৰঞ্জীমূলক নাটক 'শৰাইঘাট' (১৯৩৮)। বৰুৱাৰ দুয়োখন নাটেই পূৰ্ণাংগ নাটক। প্ৰসহন 'বেঙেনা ৰহস্য' আৰু 'টি-টি-হেই' (১৯৩৮)। ইয়াৰ উপৰিও 'অষ্ট বজ্ৰ', 'শকুন্তলা' নামৰ দুখন গহীন নাটক ৰচনা কৰাৰ তথ্যও লাভ

---

৮৬। যজ্ঞেশ্বৰ শৰ্মা,পাতনি, *শিশুধ্বনি, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ.১৩
৮৭। আমাৰ একেষাৰ, 'শিশুধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা. পৃ.২১

কৰা হৈছে।[৮৮] উল্লেখযোগ্য যে, 'টি-টি-হেই' নামৰ নাটকখনি ৰচনাৱলীত সন্নিৱিষ্ট হোৱা দেখা নগ'ল। এই সন্দৰ্ভত বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলীৰ সংকলক, সম্পাদক, সুনীল পৱন বৰুৱাই ৰচনাৱলীৰ 'প্ৰস্তাৱনা'[৮৯]ত উল্লেখ কৰিছে যে 'টি-টি-হেই' নামৰ প্ৰকাশিত ব্যঙ্গ নাটিকাখনিৰ কিছু পৃষ্ঠা নষ্ট হোৱাৰ বাবে ৰচনাৱলীত স্থান দিব নোৱাৰিলে। অন্যহাতে সৰ্বেশ্বৰ ৰাজগুৰুৱে উল্লেখ কৰা 'অষ্ট বজ্ৰ', 'শকুন্তলা' নামৰ গহীন নাটকৰ ক্ষেত্ৰত সংকলক, সম্পাদক, সুনীল পৱন বৰুৱা নিমাত। ভাৰতীয় ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা, দেশৰ বীৰ-বীৰাংগণাৰ প্ৰতি গভীৰ শ্ৰদ্ধা, সমন্বয়ৰ বাৰ্তা, গভীৰ হাস্যৰসৰ প্ৰকাশ বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটকৰ লক্ষণীয় বিশেষত্ব। 'বেঙেনা ৰহস্য' আৰু 'টি-টি-হেই' দুয়োখন প্ৰসহনতে নাট্যকাৰৰ মৌলিক চিন্তাৰ উচ্চ পৰশ থকা দুখনি 'তাহানিৰ নিদানৰ সম্পদ'।[৯০]

'মহাৰাজ নৰনাৰায়ণ', 'ৰাজস্থানৰ গল্প', 'ল'ৰাৰ বেজবৰুৱা', 'আমাৰ বেজবৰুৱা', 'অসম গৌৰৱ' হৈছে বিনন্দ চন্দ্ৰ বৰুৱাৰ উল্লেখযোগ্য শিশু সাহিত্য। শিশু সাহিত্যলানিৰ বিষয়বস্তু প্ৰধানতঃ মহৎ আৰু গৰিমাময় চৰিত্ৰৰ গুণানুকীৰ্তন। অসম বুৰঞ্জী, ৰাজস্থানৰ বুৰঞ্জী, কোচৰজা নৰনাৰায়ণৰ কাহিনীৰ উপৰিও অসমৰ জাতীয় জীৱনৰ পৰম সম্পদ লক্ষ্মীনাথ বেজবৰুৱাৰ কীৰ্তি-কলাপেৰে এইলানি শিশু সাহিত্য সমৃদ্ধ। মহৎ লোকৰ জীৱনী অধ্যয়নে শিশুক মহৎ কৰ্মৰ প্ৰতি অনুপ্ৰেৰণা যোগোৱাৰ লগতে শৌৰ্য-বীৰ্যসম্পন্ন অতীতে নতুন প্ৰজন্মক স্বদেশ আৰু স্বজাতিৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই সন্দৰ্ভত বিশ্ব নাৰায়ণ শাস্ত্ৰীৰ মত এনেধৰণৰ —

> দেশৰ বীৰ বীৰাঙ্গণাসকলৰ সাহস, দেশপ্ৰেম আৰু আত্মোৎসৰ্গৰ কাহিনীয়ে যে কেৱল অতীতৰ উজ্জ্বল ছবি এখনহে দাঙি ধৰে এনে নহয়, লগতে জাতিৰ বৰ্তমান

---

৮৮। সৰ্বেশ্বৰ ৰাজগুৰু, *'জাতীয়তাবাদী কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ ধ্বনি-কাব্যত এভুমুকি', প্ৰতিধ্বনি,* সম্পা. হিমেন ভট্টাচাৰ্য, পৃ.২১

৮৯। সুনীল পৱন বৰুৱা, সম্পা., *প্ৰস্তাৱনা, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী.* পৃ.০.৮

৯০। হৰিচন্দ্ৰ ভট্টাচাৰ্য্য, বিনন্দ চন্দ্ৰ বৰুৱাৰ ধেমেলীয়া নাট', *ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা,* সম্পা. ভৱ গোস্বামী, পৃ. ৯-১০

> বংশধৰসকলক সোণালী ভৱিষ্যতৰ ফালে আগবাঢ়িবলৈ প্ৰেৰণা দিয়ে; বুকুত সাহ, অন্তৰত আকাংক্ষা আৰু বহুত বল যোগায়; অতীতৰ ভুল-ভ্ৰান্তিৰ পৰা হাত সাৰিবলৈ ইংগিতো দিয়ে। সেইবাবে জাতিৰ পথিকৃৎ বৰেণ্যসকলৰ সোঁৱৰণ অনুগামীসকলৰ বাবে অপৰিহাৰ্য।[৯১]

'অতীতৰ ৰিং' বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা। ১৯৮৭ চনৰ আগষ্ট মাহৰ পৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাৰ সময়ছোৱাত অসম প্ৰকাশন পৰিষদৰ পৰা ওলোৱা 'প্ৰকাশ' নামৰ মাহেকীয়া আলোচনীত চোৱা চোৱাকৈ তেখেতৰ আত্মজীৱনীমূলক এই ৰচনা প্ৰকাশ পাইছিল। উক্ত ৰচনাৰ মুখবন্ধত সম্পাদক ভট্টাচাৰ্যদেৱে লিখিছিল —

> অসমীয়া সাহিত্যিকসকলৰ ভিতৰত (সেই সময়ত) সকলোতকৈ বয়সীয়া হ'ল ধ্বনিকবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱ। তেখেতৰ জীৱন কথাৰ সাহিত্যিক আৰু সামাজিক মূল্য যথেষ্ট। 'অতীতৰ ৰিং' তেখেতৰ জীৱন কথাৰ প্ৰথম অংশ। ১৯০১ চনৰ জানুৱাৰী মাহত তেখেতৰ জন্ম। যোৱা ৮৭ বছৰৰ অসমীয়া সমাজ আৰু সাহিত্যৰ তাৎপৰ্যপূৰ্ণ তথ্য আৰু জীৱনৰ মূল সুৰৰ আভাষ 'অতীতৰ ৰিং'ত পাম বুলি আশা কৰিছোঁ। তেখেতৰ আত্মজীৱনী এখন লাগতিয়াল পুথি হ'ব বুলি আমাৰ বিশ্বাস।[৯২]

বাৰ্দ্ধক্যজনিত কাৰণ আৰু বিশেষকৈ তেখেতৰ টীয়কৰ বাসভৱন অচ্যুত ভৱনত সোমোৱা অবতৰীয়া বানপানীত লিখকৰ দ্বাৰা সংগৃহিত সমলসমূহ নষ্ট হোৱাত 'অতীতৰ ৰিং' সম্পূৰ্ণ নহ'ল। পৰৱৰ্তী সময়ত ২০১১ চনত 'পূৰ্বাঞ্চল প্ৰকাশে' প্ৰকাশ কৰা বৰুৱাৰ আত্মজীৱনীমূলক লেখা আঠটা

---

৯১। বিশ্বনাৰায়ণ শাস্ত্ৰী, পাতনি, অসম গৌৰৱ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৩৩
৯২। সুনীল পৱন বৰুৱা, *পাতনি, অতীতৰ ৰিং, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা পৃ. ৭৬১

অধ্যায়ত সমাপ্তি ঘটিল যদিও বহু কথা পোহৰলৈ নাহিল। তথাপিও এই আঠোটি অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন, কৰ্ম আৰু সেই সময়ৰ সমসাময়িক সামাজ, সংস্কৃতি, শৈক্ষিক, যাতায়ত, ধৰ্মীয় শিক্ষা আৰু অৰ্থনৈতিক অৱস্থা ইত্যাদি বিভিন্ন দিশৰ গুৰুত্বপূৰ্ণ সমলেৰে বৰুৱাৰ 'অতীতৰ ৰিং' এখনি উপভোগ্য আত্মজীৱনী।

'অসম সাহিত্য সভাৰ সম্পৰ্কত', 'ব্যক্তি আৰু জীৱন', 'বিবিধ বিষয়', 'ভাষণাৱলী' আদি বিনন্দ চন্দ্ৰ বৰুৱাৰ উল্লেখযোগ্য প্ৰবন্ধমালা। বৰুৱাৰ প্ৰবন্ধবিলাকৰ বিষয়বস্তু বিবিধ, ভিন্নধৰ্মী। বিবিধ বিষয়বস্তুত ফুটি উঠিছে বৰুৱাৰ ব্যক্তিগত ভাৱ-অনুভূতিৰ লগতে অসমৰ প্ৰথিতযশা সাহিত্যিকসকলৰ জীৱনৰ কিছু ৰেখ, অসম সাহিত্য সভা, অসমৰ সাহিত্যিক, সামাজিক, সাংস্কৃতিক, বিবিধ সমস্যা আৰু তাৰ সমাধানৰ সূত্ৰ, আশাবাদ ইত্যাদি। এই সকলোবোৰৰ মূলতে বিনন্দ চন্দ্ৰ বৰুৱাৰ স্বদেশহিতৈষী মনোভাৱে প্ৰবলভাৱে ক্ৰিয়া কৰা দেখা যায়। বৰুৱাৰ প্ৰবন্ধসমূহৰ ঐতিহাসিক মূল্য আৰু গুৰুত্ব অধিক। এনেদৰেই বৰুৱাৰ প্ৰবন্ধৰ মূল্য নিৰূপিত হৈ আহিছে। ই অত্যন্ত গুৰুত্বপূৰ্ণ।

> কলিকতাৰ এ.এছ.এল. ক্লাৱে উলিওৱা 'চিন্তা কোষ'ত প্ৰকাশিত তেওঁৰ 'কবিতা' নামৰ প্ৰবন্ধটিৰ এটি ঐতিহাসিক মূল্য আছে। অসমীয়া ভাষাত এই প্ৰবন্ধটিয়েই প্ৰথম কবিতা সম্বন্ধে ওলোৱা গভীৰ আৰু সুদীৰ্ঘ আলোচনা।[৯৩]

অন্যহাতে 'কেৰপাই শৰ্মা' ছদ্মনামত লিখি উলিওৱা ছটি ব্যঙ্গাত্মক লেখা অসমীয়া ব্যংগ সাহিত্য জগতত অন্যতম সংযোজন। 'সাদিনীয়া আসমীয়া' আৰু 'অকণ'ত এই কেৰপাই বাপুৱে যি ৰসৰ টোপোলা মেলিছিল তাৰ সোৱাদ পোৱাসকলে এই কথা পাহৰিব নোৱাৰে।'[৯৪]

বিনন্দ চন্দ্ৰ বৰুৱাৰ ৰচনাৱলীত অন্তৰ্ভূক্ত বৰুৱাৰ 'তথ্যভিত্তিক ৰচনা' শীৰ্ষক ৰচনালানিয়েও

---

৯৩। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, *বিনন্দ চন্দ্ৰ বৰুৱা ঃ কবি আৰু কৰ্মযোগী, প্ৰতিধ্বনি*, সম্পা. হিমেন ভট্টাচাৰ্য্য পৃ.২৯

৯৪। জিতাঞ্জলী বৰপূজাৰী, *'কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ চমু জীৱনী', ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱাৰ ব্যক্তিত্ব আৰু প্ৰতিভা*, সম্পা. ভৱ গোস্বামী, পৃ. ১০৩

বৰুৱাৰ অসমপ্ৰীতি, ভাৰতপ্ৰীতি, বিশ্বপ্ৰীতিৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰে। প্ৰাদেশিক শাসন ব্যৱস্থা, ভাৰতৰ শাসন ব্যৱস্থা, গৱৰ্ণৰ জেনেৰেল, কেন্দ্ৰীয় গৱৰ্ণমেণ্ট সংকল্পিত যুক্তৰাষ্ট্ৰৰ সন্দৰ্ভত যুগুত কৰা এইলানি ৰচনাৰ এক ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ।

বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্যতম সৃষ্টি বৈষ্ণৱ পদাৱলীৰ আৰ্হিৰ ৰচনা 'বৰ নামঘৰৰ মাহাত্ম্য'। 'বিশিষ্টানন্দ' নামেৰে ৰচিত এই পুথিখন বৈষ্ণৱ ধৰ্মৰ প্ৰতি আনুগত্য আৰু অসমৰ দুজনা মহাপুৰুষৰ জীৱনৰ কিছু বৰ্ণনাৰ জৰিয়তে বিনন্দ চন্দ্ৰ বৰুৱাই বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰি থৈ গৈছে। বৰুৱাৰ আধ্যাত্মিক জীৱনৰো অন্যতম প্ৰকাশক এই ৰচনা অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যত এক ব্যতিক্ৰম।

ইয়াৰ উপৰি বিনন্দ চন্দ্ৰ বৰুৱাই গীত ৰচনাতো হাত দিছিল। 'অতিথি', 'লাচিত উঠিল কাছি', 'আনন্দত উথলে প্ৰাণ'— মুঠ তিনিটি গীত ৰচনাৰে (সদ্যপ্ৰাপ্ত) বিনন্দ চন্দ্ৰ বৰুৱাই অসমীয়া গীতি সাহিত্য জগতলৈও আগবঢ়াই গৈছে। 'অতিথি' [৯৫] শীৰ্ষক গীতটি বিনন্দ চন্দ্ৰ বৰুৱাৰ 'শংখধ্বনি' শীৰ্ষক কবিতা পুথিত সন্নিৱিষ্ট হৈ আছে আৰু বাকী দুটি 'সংকলনত অন্তৰ্ভুক্ত নোহোৱা কবিতা' [৯৬] শীৰ্ষক কবিতালানিত সংযুক্ত হৈ আছে। 'লাচিত উঠিল কাছি' গীতটি ১৯৯০ চনত অনুষ্ঠিত কৰা জাঁজীৰ 'লাচিত মেলা'ৰ শোভাযাত্ৰাৰ গীত আছিল। [৯৭] অন্যহাতে এটি অনুবাদ কবিতাৰো তথ্য লাভ কৰা হৈছে। 'অতীতৰ সোঁৱৰণি' শীৰ্ষক কবিতাটি ইংৰাজ টমাছ মুৰৰ কবিতাৰ মুকলি অনুবাদৰূপে 'বিয়লি বেলাৰ কবিতা' [৯৮] সংগ্ৰহত সন্নিৱিষ্ট হৈ আছে। সেয়ে শেষত ক'ব পাৰি, বিনন্দ চন্দ্ৰ বৰুৱা একাধাৰে এজন কবি, নাট্যকাৰ, প্ৰাবন্ধিক, শিশু সাহিত্যিক, আত্মজীৱনী লেখক, ভক্তিসাহিত্য প্ৰণেতা, ব্যঙ্গ সাহিত্য লেখক, গীতিকাৰ আৰু অনুবাদক। এনে এজন স্বনামধন্য সাহিত্যিকৰ সাহিত্যকৃতি অসমীয়া সাহিত্যৰ পৰম সম্পদ আৰু জাতিৰ গৌৰৱ গাথা।

### ১.৫.৭ বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম ঃ

৯৫। শংখধ্বনি, *'বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা পৃ. ৩৫

৯৬। সংকলনত অন্তৰ্ভুক্ত নোহোৱা কবিতা, *'বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা পৃ. ২০০-২০১

৯৭। উল্লিখিত, পৃ. ২০০

৯৮। বিয়লি বেলাৰ কবিতা, *'বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা পৃ. ১৬২

বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য কৃতিৰ মূল অনুপ্ৰেৰণা হ'ল সুগভীৰ স্বদেশপ্ৰেম। স্বদেশপ্ৰেম বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ সাহিত্যৰাজিৰ মূল চালিকা শক্তি। বৰুৱাৰ কবিতা, নাটক, প্ৰবন্ধ, শিশু সাহিত্য ইত্যাদিৰ বিবিধ বিষয়বস্তুৰ মাজেৰে স্বদেশপ্ৰেমৰ সুতীব্ৰ অনুৰণন শুনিবলৈ পোৱা যায়। বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশভংগী, উদ্দীপনাময়ী ভাষাৰীতি, সুমধুৰ ধ্বনি ব্যঞ্জনাৰ ব্যৱহাৰ, অতীত ৰোমন্থন বৰুৱাৰ সাহিত্যত প্ৰতিফলিত স্বদেশপ্ৰেমৰ অন্যতম কাৰক আৰু এনে কাৰকসমূহে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশিত সুগভীৰ স্বদেশপ্ৰেমক মহীয়ান কৰি তুলিছে। বৰুৱাৰ সমগ্ৰ সাহিত্যৰ মাজেৰে প্ৰতিফলিত হৈ উঠা স্বদেশপ্ৰেমে বৰুৱাৰ সাহিত্যক এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। জাতিৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত কৰিব পৰা শক্তিৰ অধিকাৰী আৰু এই ক্ষেত্ৰত একনিষ্ঠ সাধক বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেমৰ বিচাৰ-বিশ্লেষণ পৰৱৰ্তী অধ্যায়সমূহত আগবঢ়োৱা হৈছে।